## দ্বিতীয় অধ্যায়

# বিহুগীত আৰু অই নিঃতম ঃ তুলনামূলক আলোচনা

## দ্বিতীয় অধ্যায়

# বিহুগীত আৰু অই নিঃতম ঃ তুলনামূলক আলোচনা

বিহুগীত অসমীয়া লোক সাহিত্যৰ অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। বিহুগীত গোৱা হয় ঘাইকৈ অসমীয় জাতীয় উৎসৱ ৰঙালী বিহুৰ সময়ত নৃত্যৰ লগত। এই উৎসৱ বসন্ত উৎসৱৰে আন এক ৰূপ। প্ৰকৃতিৰ পৰশত সময়ৰ বুলনিত আনন্দ মুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছাসৰ স্বীকৃতি দিয়ে বিহুগীতে। লোক মানসত প্ৰতিফলিত হোৱা লোকজীৱনৰ আবেগ অনুভূতিৰ অভিজ্ঞতাই লোক সাহিত্য। মানুহৰ জীৱনৰ চৰম লক্ষ্য আনন্দ লাভ কৰা। আনন্দ সন্ধানেই হৈছে সংস্কৃতিৰ বাট। তাত মাথোন নিহিত হৈ থাকে লোক জীৱনৰ শ্ৰম, হেঁপাহ আৰু জীৱিকাৰ সন্ধান। এই আটাইবোৰৰ সমাহাৰত বিহু উৎসৱৰ পৰম্পৰা গঢ় লৈ উঠিছে আৰু লোকগীত স্বৰূপে বিহুগীতবোৰে ধৰি ৰাখিছে তাৰ বিচিত্ৰ চিত্ৰ। পাৰ বাগৰি যোৱা আনন্দৰ আবেগত চিত্ৰবোৰে ভাষাৰ আধাৰত প্ৰাণ পাই উঠে। অসমৰ লোক সাহিত্যৰ চিত্ৰ ধৰ্মিতা আৰু সুৰৰ লালিত্যক মুখ্যতঃ বহন কৰি ৰাখিছে অসমীয়া চহা জীৱনৰ হিয়াৰ আমঠু স্বৰূপ বিহুনামসমূহে।

বিহুগীত সত্য আৰু সুন্দৰৰ বোল সনা জীৱন অভিজ্ঞতাৰ ৰূপ বৈচিত্ৰ্য গুণ সমৃদ্ধ। জীৱনৰ বাৰে ৰহনীয়া অনুভৱ সৰল প্ৰাণৰ ভাষাৰে আপুনা-আপুনি প্ৰকাশ পাই, মুখে মুখে বাগৰোতে বৰণ সলায়; অথচ চিৰন্তন আবেগ-অনুভূতিৰে ভৰপূৰ সিয়েই লোকসাহিত্য। বিহুনামত বৈ থাকে স্বতঃস্ফূৰ্ত আবেগ অনুভূতিৰ ঢল। বিহুনামৰ শব্দ চহা গাঁৱলীয়া অথচ বাচক্বনীয়া আৰু বিন্যাসেকা বাচক্বনীয়া। সেইদৰে বিহুগীতসমূহ সকলোধৰণৰ কাব্য গুণেৰে সমৃদ্ধ।

মিচিং ভাষাত প্ৰচলিত বিভিন্ন গীত-পদ বিলাকৰ ভিতৰত অই নিঃতম্ অন্যতম। জনপ্ৰিয়তাৰ ফালৰ পৰা অই নিঃতম আটাইবোৰ লোকগীতৰ শীৰ্ষত। অই নিঃতম বুলিলে মিচিঙৰ ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে এক আদৰৰ দৃষ্টিৰে চায়, অই নিঃতমৰ ভাষা, ভাৱ আৰু সুৰে সকলোৰে অন্তৰত এক পুলক সঞ্চাৰ কৰে, অনাবিল আনন্দ বিলায়। অই নিঃতমৰ এই জনপ্ৰিয়তাৰ কাৰণ ইয়াৰ ভাৱ, ভাষা, উপমা, ছন্দ আৰু সুৰৰ বৈচিত্ৰ্য।

অসমৰ প্ৰকৃতিৰ  বিচিত্ৰ ৰূপত সৃষ্টি হোৱা লোক সাহিত্যবোৰ বৈচিত্ৰতা অধ্যয়ন কৰাতো যিদৰে কঠিন সেইদৰে সেইবোৰৰ তুলনা কৰাও টান কাম। বিহুগীত আৰু অই নিঃতম অসমৰ লোক সাহিত্যৰ এক উল্লেখযোগ্য উপাদান। এই দুয়োটা বিষয় বাদ দি অসমৰ লোক সাহিত্যৰ অধ্যয়ন কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰিব। ভাষাগত পাৰ্থক্যৰ বাহিৰে সকলো দিশতে বিহুগীত  আৰু অই নিঃতমৰ সাদৃশ্য আছে।

বিহুগীত আৰু অই নিঃতম এযাৰ বিশ্লেষণ কৰি চালে দেখা যায়, তাত ভাৱৰ গভীৰতা আছে, ভাষাৰ মাধুৰীমা আছে, বাক-চাতুৰ্য আছে আৰু উপমাৰ অমেয় বৈচিত্ৰ্যতা আছে। সকলো প্ৰকাৰৰ কলাৰ লক্ষ্যই হৈছে পৰম আনন্দ লাভ কৰা। 'হাঁহি আৰু চকুলোৰ কৰুণ মিলন। এয়ে হায় মানৱ জীৱন' - কবিৰ এই ভাষ্যৰ দৰেই মানুহে দুখত যেনেকৈ কান্দে সুখতো চকুলো ওলায়। সুখত হঁহাৰ দৰে দুখতো হাঁহে। এনে অভিব্যক্তিয়েই সাহিত্যক গভীৰ আৰু সৌন্দৰ্যময় কৰি তোলে। অই নিঃতম আৰু বিহুগীতৰ লয় আৰু মাধুৰ্যৰ আঁৰত আছে চহা কোমল ব্যঞ্জিতম শব্দ, বাক্ বিকল্প আৰু চাতুৰ্য্য। চহা কবিয়ে বাক নিৰ্বাণ লাভ কৰিবলৈ শব্দৰ অভিধা শক্তি উপৰি লক্ষণা, ব্যঞ্জনাৰ প্ৰয়োগ কৰি অন্তৰৰ ভাৱৰাশি সৰল ৰূপত প্ৰকাশৰ কৌশল সচৰাচৰ বিৰল। এনে গীতৰ কাব্য শৰীৰৰ ছন্দোময় ভঙ্গিমাৰ আঁৰে আঁৰে বিচাৰি পোৱা যায় চিত্ৰকল্প, উপমা, অলংকাৰ আদি। এনে গীত উপমাই শ্ৰোতাৰ মনোৰাজ্যত হেন্দোলনি তোলে। কাব্যৰ অলংকাৰ বুলিলে কাব্য ৰসৰো অঙ্গা-অঙ্গী সম্বন্ধ এটাই জোকাৰি যায়। সংস্কৃত সাহিত্যৰ ৰসবাদীসকলে নিৰূপণ কৰি থৈ যোৱা নৱৰসৰ স্বাদ চহা কবিৰ মন্ময় চিত্ৰ বিহুগীত আৰু অই নিঃতমবোৰতো কম বেছি পৰিমাণে পোৱা যায়। তদুপৰি বিৰহৰ কৰুণ ৰস আৰু ডেকা গাভৰুৰ হাস-পৰিহাসৰ ধেমালিৰ মাজত হাস্যৰসৰ চিটিকনিও পৰা দেখিবলৈ পোৱা যায়।

অসম প্ৰকৃতিৰ বিচিত্ৰ ৰূপত সৃষ্টি হোৱা লোক সাহিত্য বোৰৰ বিচিত্ৰতা অধ্যয়ন কৰাতো যিদৰে কঠিন সেইদৰে সেইবোৰৰ তুলনা কৰাও টান কাম। বিহুগীত আৰু নিঃতম অসমৰ লোক সাহিত্যৰ এক উল্লেখযোগ্য উপাদান। প্ৰাকৃতিক সম্পদ সমূহৰ উপমাৰে প্ৰেম বিৰহৰ কথা প্ৰকাশ কৰিছে।

প্ৰকৃতিৰ বুকুতেই এদিন মানুহে সংগীতৰ সন্ধান পাইছিল। বতাহত কঁপি উঠা গছ-পাতখিলাই নাচোনৰ ভংগী বাঁহে বাঁহে ঘঁহনা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল। কিন্তু এদিন

মানুহে ইয়াৰে চানেকী লৈ থলুৱা পৰিবেশৰ সমলেৰে নতুন নতুন বাদ্য সৃষ্টি কৰিলে। বিশেষকৈ বাঁহৰ অৱদান লক্ষ্য কৰিবলগীয়া। টকা, পেঁপা, গগনা বিহুৰ একান্তই আৱশ্যকীয় বাদ্য। বাঁহী আদিও সময় বিশেষত ব্যৱহাৰ দিয়ে। সঁচাকৈয়ে তেতিয়া ঘৰতো নবহে মন, পথাৰতো নবহে মন, কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন। গগনাৰ অমাতৰ মাত বুকুৰেদি সৰকি যায়।

**বিহুগীত ঃ**

*'ত'তে শুনিলো সুৰতে বুজিলো*
*মোৰ ধনে গগনা বায়;*
*কিনো অমাতৰ মাতে মোৰে চেনাই ঐ*
*বুকুৰেদি সৰকি যায়।'*

**অই নিঃতম ঃ**

*'আংবুং আংনী ৰুঃয়িদ*
*চৌংক গুংগাং মান দুংনী*
*ৰংকিয়ই ৰঃয়িদ্‌দপ*
*অই নম্ আচিন্ অদুংনী।*

**ভাৱাৰ্থ ঃ**

নদীৰ মোহনাত কোনে গগনা বাইছে
তোমালৈ ঘনে ঘনে মনতে পৰিছে।[১]

ঢোল নহ'লে বিহু নপকে। সেয়ে ঢোলৰ মাত শুনি থেকেচি যঁতৰ ভাঙিবলৈ মন যায়। ঢোল বজায়হে যেনেকৈ, নেনাচিনো থাকো কেনেকৈ।' ঢোলৰ চাপৰত গা উঠে। এপাক নাচিবলৈ মন যায়। বিহুতলিত ঢোলৰ মাত শুনি বঢ়া ভাত কাঁহীতে থৈ ঢাপলি মেলে -

(১) *'ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে*
*কাৰ ঘৰৰ নাচনী নাচে;*
*ওচৰ চাপি চাপি নাহিবি নাচনী*
*হাতত ঢোলৰ মাৰি আছে।*

---

১। সংবাদদাতা ঃ পেগু, পবিত্ৰ, ডিব্ৰুগড়

(২) *ঢোলত চাপৰি মাৰি ঢুলীয়া ওলালে*

*বহি বৈ আছিলো তাঁত;*

*টোপোলাৰ সেন্দুৰ টোপোলাত থাকিলে*

*খাবলৈ নহ'লে ভাত।'*[২]

প্ৰকৃতিৰ কোলাত খেতি-বাতি কৰি গাঁৱলীয়া চহা ডেকা-গাভৰু ডাঙৰ হৈ আহে। দিনৰ দিনতো খেতি পথাৰত হাল বাই, বন নিৰাই দুখে ভাগৰে, ভোকে পিয়াহে ঘৰলৈ উভতি আহে। জুঁহালৰ কাষত এবাতি আপং আৰু এসাঁজ ভাতেৰে ভোকত আতুৰ দেহা শাঁত পেলাব খোজে। সেই সময়তে লৃগাং গুম্ৰাগৰ ঢোলৰ মাত শুনাৰ লগে লগে তেওঁলোকে ভোক পিয়াহ সকলো পাহৰি পেলায়, তেওঁলোকৰ মনবোৰ ৰাইজাই কৰি উঠে।

*'লঙী দঃঞীম গীবম্না*

*আমৰ্ বৃগুমদ'নী*

*লৃগাং দুম্দুম্ তাদ্য়ীমৃল্*

*আপিন কীনং য়গ্দনী।'*

**ভাৰাৰ্থঃ**

দিনৰ প্ৰখৰ ৰ'দত গাত লৈ শালি ধানৰ বন নিৰাওঁ আৰু লৃগাঙৰ

ঢোলৰ চাপৰ যেতিয়া শুনো আমাৰ পেটৰ ভোক হেৰাই যায়।[৩]

কৃষিজীৱী পৰিয়ালৰ কৃষিতেই ভৰসা। এবছৰৰ খেতি বানপানীয়ে উটোৱাই নিলে পিছৰ বছৰৰ খেতিলৈ অপেক্ষা কৰিব লাগে। খেতি ভাল নহ'লে অভাৱো নুগুচে। অভাৱ থাকিলে ঘৰো পাতিব নোৱাৰি। সেইদৰে আৰ্থিক দীনতাৰ ছবিও বিহুগীতৰ যোগেদি প্ৰতিভাত হৈছে।

**বিহুগীতঃ**

*ঈশ্বৰে দুখীয়া কৰিলে লগৰী*

*খাইছো বাঁহৰ চুঙাত পানী,*

*দোকানে বজাৰে আছে মাটিৰ কলহ*

*তাকো ল'ব নোৱাৰো কিনি।*

---

২। গগৈ, লীলা ঃ বিহুগীত আৰু বনঘোষা, পৃ. ১৫

৩। সংবাদদাতা ঃ পেগু, পবিত্ৰ, ডিব্ৰুগড়

**অই নিঃতম ঃ**

*অৰনৰি আচিদী আংমী আবৃগ্ গীয়ুত্ত*

*দনাম্ তৃংনাম কামাংলা মিদাং মনাম্ মীপ'ত।*

**ভাৱাৰ্থ ঃ**

অৰনৰি (সোৱণশিৰি) নৈৰ বাঢ়নি পানীয়ে বছৰৰ শালি ধান মাৰিলে, ধন-ধান অভাৱত তোমাক আপোন কৰি লোৱাৰ কথাও পিছুৱাব লগাত পৰিল।[৪]

আনহাতে কৃষি ভাল হ'লেই অভাৱ দূৰ হয়। অসমৰ নদ-নদীয়ে পলস পেলাই সাৰুৱা কৰা কৃষিভূমিত বিধে বিধে ধান পকে। অসমৰ জনসাধাৰণে সেয়া উৎফুল্লিত হৈ চপাই আনি ভঁড়াল ভৰাই থৈ, বিধে বিধে জা-জলপান প্ৰস্তুত কৰে। চিৰা, সান্দহ, কঁড়াই, পিঠা, হুৰুম, কোমল চাউল, আখৈ, মুৰি আদি টেকেলিয়ে টেকেলিয়ে ভৰাই থৈ জীয়ৰীহঁত আপোন পাহৰা হয়। পূৰ্ণতাৰ আনন্দত গা সাতখন আঠখন হয়।

**বিহুগীত ঃ**

(১) *বকুল বৰা ধানৰ* *চিৰা খুন্দি ৰাখিছোঁ*

*নাখাওঁ বুলি নক'বা দেই;*

*এইবেলি বিহুতে* *মাতিম বুলি ভাবিছোঁ*

*নাযাওঁ বুলি নক'বা দেই।*

(২) *ধুমুৰ ধুমুৰ কৰি* *সান্দহ খুন্দিছিলোঁ*

*ছপোৰা গাখীৰৰ দৈ;*

*খাবৰে সময়ত* *তোলৈ মনত পৰি*

*আহে চকুপানী বৈ।*[৫]

ঠিক তেনেকৈ অই নিঃতমত পোৱা যায় আলি আঃয়ে লৃগাঙত প্ৰস্তুত কৰা পুৰাং আপিন, পেৰেদ অয়িং (মাটি মাহৰ শাক), গাহৰি মাংস, মাছৰে প্ৰস্তুত কৰা খাদ্য সম্ভাৰ। এনে উৎসৱত

৪। পূৰ্বোক্ত সংবাদদাতা

৫। চিৰিং বুলন ঃ যৌৱন পথিক বিহুনাম, পৃ. ১৭৭

চেনাই ধন আহিব আৰু এসাঁজ তৃপ্তিৰে এবাতি আপঙৰ সৈতে খোৱাৰ হেঁপাহ গাভৰু মনত বা প্ৰেয়সীৰ ঘৰত গৈ খোৱাৰ হেঁপাহ ডেকাৰ মনত জাগে।

*পঃৰ আপং তন্পী বং*

*পুৰাং আপিন ৰাঃনঃপী*

*অইয়া নঃচিন মৃলাঃবং*

*আলি আঃয়ে লৃগাঃদ' আন্এৗ দজন্ তুলাঃপী।*

**ভাৱাৰ্থঃ**

ছাই মদ ছাকি ৰাখিম, পুৰাং ভাতো লগতে বনাম, চেনাই ধন তুমি

আহিবা, একেলগে আলি আঃয়ে লৃগাঙত এসাঁজ খাম।[৬]

বিহুগীত আৰু অই নিঃতমত ফুলৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। ফুল ভাল নোপোৱা মানুহ পৃথিৱীত নাই বুলিয়েই ক'ব পাৰি। ফুলে মানুহৰ মনত আনন্দ দিয়ে। ফুল মানুহৰ মনত কল্পনা আৰু ভাৱনাক উদ্দেলীত কৰে আৰু জীয়াই থকাৰ প্ৰেৰণা দিয়ে। সৌন্দৰ্য উপাসনাৰ আহিলা। সকলো ধৰ্মৰ পূজা-পাতলত ফুল ব্যৱহাৰ কৰে। মানুহৰ আৱেগ আৰু কামনা বাসনাত ফুলে সৌন্দৰ্যবোধ আনে। ফুলে মানুহৰ মনৰ আবেগ-অনুভূতি আৰু কল্পনা শক্তি বঢ়াই তোলে। অই নিঃতমত ফুলৰ উপমা বহুত পোৱা যায় —

**অই নিঃতমঃ**

১। *আপ্পুন্পী পুন্বিপী, ৰৃবৃপীচিন মাঃ বিপী*

*অইকী আয়াং পাঃমৃল চিক'লঃচিন্ চিমৃন্পী।*

**ভাৱাৰ্থঃ**

ফুল হৈয়ো ফুলিম, লতা হৈয়ো বগাব পাৰো

চেনাইৰ মৰম পালে মৰণতো লগত মৰিম।

২। *কম্বং পঃল আঃদুঃনী, কেঃদাং বাঃমে পুন্দুঃনী*

*আচিন, ৰংকিত্ ৰংকিত্লা অইমী আচিন্ অদুঃনী।*

---

৬। সংবাদদাতা ঃ দলে, বিদ্যা, চিচি টঙানি।

**ভাৱাৰ্থঃ**

বʼহাগ মাহ আহিছে কপৌ ফুল ফুলিছে
বুকু ভাঙি যোৰাকৈ চেনাইলৈ মনত পৰিছে।

৩। *আপ্লুন্ আৰ্‌দ্ কাপিদাং, দৌঙাংতৃদাং বুমুৰাং*
*অইন্‌ক আয়াঃদ কাপিদাং মৌঙাঃতৃদাং আচিনৌ।*

**ভাৱাৰ্থঃ**

ফুলৰ গোন্ধত কি আছে ভোমোৰা উৰি আহে
তোমাৰ মৰমত কি আছে, সদায় মনত পৰি থাকে।

৪। *আপ্লুন্ আৰাঃদ্ কাংকান্‌দাগ্ কেঃদাং আপ্লুনদী*
*আজন্ আৰাঃদ্ কাংকান্‌দাগ্ ঙক্‌কী মৌঃনাম আতৃনব্*

**ভাৱাৰ্থঃ**

ফুলৰ ভিতৰত কপৌফুল ধুনীয়া
জাকৰ মাজত মোৰ ধন চেনাই অতিকৈ ধুনীয়া।[৭]

বিহুগীতবোৰতো ফুলৰ উপমা বহুত পোৱা যায়। তগৰ, কপৌ, গোলাপ, কেতেকী আদিৰ তুলনা আৰু ৰসিক উপমাৰে চহা শিল্পীয়ে মনৰ জোখাৰে প্ৰিয়জনৰ আগত ভাব প্ৰকাশ কৰিবলৈ ফুলৰ উপমা প্ৰয়োগ কৰে।

**বিহুগীতঃ**

১। *কেলেই ফুলিলি ৰূপহী মদাৰ ঐ*
*কেলেই পেলালি কলি;*
*গুৰুও নেলাগে ভকতো নেলাগে*
*থাক তলে ভৰি সৰি।*

২। *বাৰীৰ মাজে মাজে গোলাপ ফুল ফুলিলে*
*তিতা ফুল ফুলিলে ঢাপত;*
*তোমাৰে আমাৰে যোৰা নাপাতিলে*
*কোনোবা জনমৰ পাকত।*

---

৭। সংবাদদাতা ঃ দলে, ঘনকান্ত, চিলাপথাৰ।

৩।     *ফুল মই নহ'লো     সদায় ফুলিবলৈ*

*তোমাৰে পদুলি মূৰত;*

*লেম্প মই নহ'লো     সদায় জ্বলিবলৈ*

*তুমি শুৱা বিচনাৰ তলত।*[৮]

ফুলৰ দৰে ফলৰ নামো উল্লেখ কৰি স্বভাৱ শিল্পীয়ে বিহুগীত সৃষ্টি কৰিছে। হাবি জংঘলত পোৱা ফুলৰ উপৰি বাৰীত ৰোৱা ফল গছৰ নাম লৈ অলেখ বিহুগীত ৰচনা কৰিছে। দৈনন্দিন চকুৰ আগত দেখি থকা ফলমূলবোৰৰ উপমা ভৰা কথাৰ বিহুগীত ৰচিত হৈছে।

১।     *চকলা টেঙাটি     অকলে নেখাবা*

*আমাকো এচকল দিয়া;*

*বিহু মাৰিবলৈ     অকলে নেযাবা*

*আমাকো লগতে নিবা।*

২।     *চোতালৰ আগতে     মিঠা আম এজুপি*

*তাতে পৰি কান্দিলে কুলি;*

*মাৰক ফাঁকি দি     আহিব নোৱাৰ*

*চালনী আনোগৈ বুলি।*

৩।     *তিতাকৈ কেৰেলা     লহঙে পহঙে*

*মিঠানো নহ'লি কিয়;*

*তই যে লাহৰী     লহঙে পহঙে*

*কলিকানী নহ'লি কিয়?*

৪।     *ঔ তলৰ টেঁকীয়া     নিচেই কুমলীয়া*

*ভৰি দিলে মুচুকাই ভাগে;*

*কঁকাল খামুচীয়া     খোপা উধনীয়া*

*চাই থাক চাই থাক লাগে।*[৯]

---

৮। ভূঁএগ, নকুল চন্দ্ৰ ঃ বহাগী, পৃ. ৭২, ১৪৬

৯। সংবাদদাত্ৰী ঃ গগৈ, জয়ন্তী, বান্তৌগাওঁ।

মিচিং চহা শিল্পীয়ে ফল বা গুটিক লৈ অই নিঃতম ৰচনা কৰিছে। আলি আঃয়ে লৃগাং উৎসৱতো আঃয়ে (গুটি) সিঁচা কথাকে মুখ্য হিচাপে প্ৰকাশ কৰিছে। ফল বা গুটিৰ উপমা বা তুলনা কৰা অই নিঃতম কিছুমান হ'ল —

১। *আপ্পুন্ পুন্মা পুন্মাঃপী আঃয়ে এঃদাগ্ তাজ্গ্দী*

*আগম্ লুমাঃ লুমাঃপী নম্মী অদাগ্ আচিন্চী*

**ভাৰাৰ্থঃ**

ফুল নুফুলাকৈয়ে গুটি লাগে ডিমৰু

তোমাক নোকোৱাকৈয়ে মনে মনে ভাল পাওঁ হৃদয়ে

২। *কেঃদি আঃয়ে এঃদুঃবং আগ্লীং দৃব্বুঃ দৃব্বুংলা*

*আচিনাঙী মীঃদুঃবং আচিন মীঃবুম্ মীঃবুম্লা।*

**ভাৰাৰ্থঃ**

আম গছত লাগিছে ডাল ভৰি ভৰি

তোমাৰ কথা ভাবিছো বুকু ভৰি ভৰি।

৩। *মিন্য়ীম্ আঃয়ী তিঃদ'মিন্*

*কাপিল দৃগ্দাং মৃৰ্চুদী;*

*অইন' লুতীৰ্ লুদাগ্গম*

*কাপিল্ মীঙাঃ তৃদাং আচিন্চী।*

**ভাৰাৰ্থঃ**

পকিলে ফুল মিঠা হয়, কিন্তু জলকীয়া কিয় জ্বলা;

তুমি বিদায় দিয়াৰ পাছত মই আঁতৰি যাবহে লাগে

কিন্তু কিয় তোমাৰ কথাই ভাবো?[১০]

অতীত কালত অসমক আন ৰাজ্যৰ মানুহে হাবি জংঘলে ভৰা ৰাজ্য বুলি জানিছিল। কালক্ৰমত হাবি জংঘলৰ পৰিমাণ কমি আহিছে যদিও বৰ্তমান সময়তো অসমত যথেষ্ট হাবি,

১০। সংবাদদাতা ঃ দলৈ, বিদ্যাধৰ, চিচিটঙানী।

জংঘল সংৰক্ষিত অৱস্থাত আছে। হাবি জংঘলৰ লগত অসমৰ মানুহৰ এক নিবিড় সম্পৰ্ক আছে। অসমৰ মানুহে প্ৰাকৃতিক সম্পদসমূহক লৈ জীৱন ধাৰণ কৰি আছে। হাবিৰ পৰা কাঠ, বেত, খেৰ, নল, খাগৰি সংগ্ৰহ কৰি ঘৰ সজা অসমবাসীৰ পৰম্পৰাগত নিয়মত পৰিণত হৈছিল। ইয়াৰোপৰি বাঁহ সংস্কৃতিৰ উৎস স্বৰূপ অসমত নানা ধৰণৰ শিল্প তৈয়াৰ কৰা হয়। সেয়ে দৈনন্দিন জীৱনত গছ-গছনিৰ লগত জীৱন ধাৰণ পদ্ধতি সাঙুৰ খাই আছে। অসমৰ চহা শিল্পীয়ে গছ-গছনিক লৈ বহুতো গীত ৰচনা কৰিছে।

১। *কেঁচা আমখৰি ফালিম কেনে কৰি*
*জ্বলাম কেনে কৰি জুই;*
*আমাৰে পীৰিতি হ'ব কেনে কৰি*
*দুঘৰত থাকোতে শুই।*

২। *উৰিয়াম কাঠৰে নাও নেকাটিবা*
*গুৰি পোনাবলৈ টান;*
*নগৰীয়া ছোৱালী নানিবা লাহৰি*
*কথা পেলাবলৈ টান।*

৩। *চোতালৰ আগতে জুতুলা তুলসী*
*মেলে পশ্চিমলৈ ডাল;*
*দিয়ে কি নিদিয়ে সোণৰে আঙঠি*
*ওফোন্দাই পেলালে গাল।*[১১]

গছ-গছনি, হাবি-জংঘল বাদ দি মিচিং সমাজৰ মানুহে জীৱন ধাৰণ কৰাতো এসময়ত অসম্ভৱ আছিল। যিহেতু হাবিৰ পৰা খৰি, শাক, আলু আদি সংগ্ৰহ কৰি গাঁৱৰ মিচিং মানুহে জীৱন নিৰ্বাহ কৰিছিল। সেইহে অই নিঃতমত বিভিন্ন গছ-গছনিৰ নাম সন্নিবিষ্ট কৰা দেখা গৈছে —

১। *চিংগি আমৃং কাং কান্দাগ্, লৃংনী লৃংমাং আপ্পুন্দী*
*অইকী দুম্‌চুগ্ কাংকান্দাগ্ কয়েমওলা য়ৃৰ্নাম্দী।*

---

১১। ভূঁঞা, নকুল চন্দ্ৰ ঃ বহাগী, পৃ. ৩৮, ৪৫, ৫৬।

**ভাৱাৰ্থঃ**

শিমলু গছ ধুনীয়া হয়, যেতিয়া ৰঙা ফুলেৰে ৰঙীণ হয়,

চেনাইৰ মুখমণ্ডল ধুনীয়া হয়, যেতিয়া মিচিকিয়াই হাঁহি মাৰে।

২। *চঃলুং আৰাঃদী আন্‌চুঃদাগ্ অ্চুং আমৃং বজৌলা*

*আচিনাঙী মৌঃপদাগ্ অইকী কৌৰাঃদ দুঃমৃল।*

**ভাৱাৰ্থঃ**

জংঘলৰ ভিতৰত ঠাণ্ডা, গছ-গছনি বেছি হোৱা বাবে

মন আনন্দত নাচি উঠে, চেনাইৰ কাষত থাকিবলৈ পালে।

৩। *কাপি কাঃলক্ কাগৰি, গৰা ৰুইদ পৰিকাঃন*

*কাপি কাঃলক্ অইয়ৌঙা, কাব্‌লা দুঃপী পৰিকাঃন।*

**ভাৱাৰ্থঃ**

কিহৰ দোষত নল খাগৰি নৈৰ গৰাত গজিল

কিহৰ দোষত পৰি, আজি মই চকুপানী মচি থাকিব লগা হ'ল।[১২]

পৃথিৱীৰ প্ৰায়বোৰ সভ্যতাই নদী কেন্দ্ৰিক। পৃথিৱীৰ প্ৰত্যেকখন দেশলৈ প্ৰকৃতিয়ে দিয়া বৈচিত্ৰপূৰ্ণ অৱদানক কেন্দ্ৰ কৰি দেশৰ সভ্যতা সংস্কৃতি তথা মানৱ ইতিহাস ৰচিত হৈছে। আমাৰ চেনেহী অসম দেশ পৰ্বত পাহাৰ, নদী-নদীৰে বিস্তৃত আৰু নানান জনমানৱৰ গোষ্ঠীপুঞ্জকলৈ ভৌগোলিক পৰিবেষ্টনেৰে পৰিবেষ্টিত আৰু তাত পূত পৱিত্ৰ লুইত আমাৰ জীৱনৰ প্ৰাণ কেন্দ্ৰ। আদিম মানৱ সভ্যতাই এদিন নদীক কেন্দ্ৰ কৰি বিকাশ লাভ কৰিছিল ইজিপ্তৰ সভ্যতাৰ নীল নদীৰ; ভাৰতীয় সভ্যতাত সিন্ধু নদীৰ আৰু অসমৰ সভ্যতাত লুইতৰ অৱদান বিপুল সম্ভাৰে সমৃদ্ধ, সেয়ে সমাজৰ অন্তৰৰ পুঞ্জীভূত হৈ থকা বিহু সংস্কৃতি আদি উৎসৱৰ অন্যতম শ্ৰেষ্ঠ উপাদান জনগীত, বিহুগীত, অই নিঃতম্ আদিত নদীৰ উপমা চিৰ বিৰাজমান।

সেই নদী কেন্দ্ৰিক সভ্যতাৰ স্বাক্ষৰ আদিম মানৱ সভ্যতাৰ ইতিহাসৰ পাত ভৰি আছে। অসমৰ চহা জনজীৱনৰ দৈনন্দিন জীৱন নিৰ্বাহৰ গতি ধাৰা দিগৌ, দিচাং, দিহিং, ভোগদৈ, ধনশিৰী,

১২। সংবাদদাতা ঃ কাঁদং, সৰ্ব্বেশ্বৰ, জোনাই।

লুইত, সোৱণশিৰিৰ উত্তাল তৰঙ্গমালাৰ লগত তৰঙ্গিত হৈ আছে আৰু আমাৰ সামাজিক, ৰাজৈনৈতিক, আৰ্থিক, সাংস্কৃতিক ক্ষেত্ৰত নদীয়ে বিপুল বৰঙণি যোগাই আহিছে। সেয়ে মিচিভৰ লোকগীত অই নিঃতমতো নদীৰ উপমা অবৰ্ণনীয় —

*কাজে অইয়া মলাঃজে*

*আজ্‌জিঃদাগ্‌গম্ অকুম্‌ক'*

*অৰনৰি ৰীকামপী*

*দঃগ্ৰিও পঃল দাগ্‌কাম্‌পী।*

**ভাৱাৰ্থঃ**

আহা সোণ! সৰু বৰ যি নহওক ঘৰ এখন সাজো, সোৱণশিৰিৰ পাৰত দুয়ো মিলি এখন সুখৰ সংসাৰ পাতো। চন্দ্ৰ-সূৰ্যই দেখি মুকলি আকাশৰ তলত তাত আশ্ৰয় লওঁ আহা।

আমাৰ জনগীত জনজীৱনৰ অভিব্যক্তি। যেনেকৈ স্ৰোত প্ৰবাহিনী নদীৰ গতিৰ অন্ত নাই, ঠিক তেনেকৈ আপোনজনৰ প্ৰতি আশা আকাংক্ষা চিন্তা ভাৱনাৰো অন্ত নাই, ভাবিলে ভাৱনা বাঢ়িহে যায়, কিন্তু জীৱন যৌৱন নদীৰ সোঁত যোৱাৰ দৰে ভাটী দিয়ে, অই নিঃতমত পাওঁ —

*আচ্‌চে বিদ্‌দুং  বিত্‌তীৰ অইয়া কামাঃবং*

*আচিন নাঙী অদুঃবং অতীৰ্ অইয়া কামাঃবং।*

মিচিং সকলে পাত্ৰই পাত্ৰী বা পাত্ৰীয়ে পাত্ৰক মনেৰে নিৰ্বাচন কৰাৰ পাছতহে উপযুক্ততাৰ বিচাৰৰ সাপেক্ষে ছোৱালী খোজা বঢ়া কৰি ভাবী জোঁৱায়েকে শহুৰেকৰ ঘৰত জোঁৱাই খাটে। সেইছোৱা সময়ত ভাবী জোঁৱায়েকৰ নৈপুণ্য গুণ, স্বভাৱ চৰিত্ৰৰ কথা আৰু ভাবী দৰায়ো ভাবী কন্যাৰ মনোভাৱ, স্বভাৱ চৰিত্ৰ নিৰীক্ষণ কৰাৰ পাছত দুয়োৰ মনোভাৱৰ মিলতে বিয়াৰ দিন স্থিৰ কৰে নহ'লে বিয়া ভাঙে। ডেকাই গাভৰুক মনে প্ৰাণে ভাল পাইছে কিন্তু গাভৰুৱে ডেকাক মনঃপুতভাৱে ভাল পাব পৰা নাই, সেয়ে বিয়াৰ নামত হিয়া ভঙা বিয়োগান্তৰ জীৱন নাটৰ প্ৰস্তাৱনাত নিজৰ মনোভাৱ নৈ বালিৰ উপমাৰে দি অই নিঃতমেৰে প্ৰকাশ কৰিছে —

*অৰনৰি চুল্‌লিঃদীম্ অক' আচ্‌চী জুৰাঃয়েন্*

*আচিন্ মীঃমান্ কঃনীঃদ কাপিন্ আয়াং জুৰাঃয়েন্।*

**ভাৱাৰ্থ ঃ**

সোৰণশিৰিৰ উত্তপ্ত শুকান বালিক এছাটি বৰষুণে তিয়াব নোৱাৰে,

মনো নোখোজা ছোৱালীজনীক কি প্ৰেমে/মৰমে বুজাব পাৰিব ?

মানুহৰ মন স্বাভাৱিকতে পানী দেখি পিয়াহ লগাৰ দৰে বিহু উৎসৱৰ পৰিবেশে ইজনৰ প্ৰতি সিজনৰ মনত স্নেহ দয়া ওপজায়, সেয়ে অই নিঃতমতো পানী দেখি পিয়াহ লগাৰ ৰিজনি দি অন্তৰ পিয়াহৰ কথা বৰ্ণনা কৰিছে —

*আঃনী আচ্চীম্ কাঃতনীম্ পুম্চাংলাঃনা তৃংলৃংদাগ্*

*লাক্কে পংকেপ্ পংকেপ্দ অইনক্ য়াল্লম কাঃবেগ্দাগ্।*

**ভাৱাৰ্থ ঃ**

নদীৰ পানী দেখি পিয়াহ লাগিল আৰু চলুৱে চলুৱে আজলি ভৰাই

পানী পিবলৈ যাওঁতে আঙুলি ফাঁকে ফাঁকে পানী চলুত তোমাৰ

প্ৰতিচ্ছবি প্ৰতিবিম্বিত হোৱা দেখা পালো।

যৌৱনৰ আগমন হোৱাৰ লগে লগে বুকুৰ মাজত আশাৰ বুৰবুৰণি উঠে। তাৰে প্ৰতিধ্বনিবোৰ গুণগুণনি হৈ ওলায় মুখেদি। দুটি পানতল ওঁঠৰ পৰশ লৈ সজীৱ হোৱা গগনাখনে মনৰ কথা প্ৰকাশ কৰে। বিহুগীত আৰু অই নিঃতম যৌৱনৰ গীত; ই পীৰিতিৰো গীত। যৌৱন জীৱনৰ অনাহুত যৌৱনৰ লগতে পীৰিতি আহে হাত ধৰি লিগিৰী হৈ। পীৰিতি মানুহৰ ব্যতিক্ৰম নহয়।

**বিহুগীত ঃ**

*প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে*

*তাৰ পিছত স্ৰজিলে জীৱ;*

*সেইনোজন ঈশ্বৰে পীৰিতি কৰিলে*

*আমিনো নকৰিম কিয় ?*

**অই নিঃতম ঃ**

*ৰুঃনী-পৃনীব ৰুঃদাক্চম্, আনী আবুব্ অদাক্চম্*

*লীক চৃংচাং চৃংদাক্চম্ আয়াং বিমাঃন কাপিয়েন ?*

**ভাৱাৰ্থ ঃ**

সৃষ্টিকৰ্তাই আমাক এবাৰ সৃষ্টি কৰিলে, পিতৃ-মাতৃয়ে এবাৰেই জনম দিলে,
যৌৱনো এবাৰেই লাভ কৰিছো, এনে হেন জীৱনত পীৰিতি নকৰিম কিয় ?[১৩]

সংসাৰৰ সকলো জীৱই প্ৰেম কৰে। যাৰ বাবে কবিয়ে 'প্ৰেমত ঘূৰিছে ভূমণ্ডল' বুলি উল্লেখ কৰিছে। ধৰাৰ পশু-পক্ষী, গছ-গছনি সকলোৰে প্ৰেমত বৰ্তি আছে। আমাক সৃষ্টি কৰা ভগৱানৰ প্ৰেমৰ পৰিণতিত আমি জন্ম লাভ কৰাৰ কথা আমি বিশ্বাস কৰোঁ। গতিকে প্ৰেম অবিহনে সৃষ্টিতত্ত্ব, ইয়াৰ প্ৰসাৰতা আৰু স্থায়ীত্ব নাথাকে। গতিকে সংসাৰত এই পৱিত্ৰ মায়া বন্ধনত বান্ধ খোৱাটোকে চহা কবিৰ প্ৰাণে পৱিত্ৰ বুলি ভাবে —

**বিহুগীত ঃ**

(১) *এইবেলি আহুধান পানীয়ে মাৰিলে*
*পথাৰত গজিলে মামি;*
*চৰাই চিৰিকটি পীৰিতি কৰিলে*
*তাৰো মান নহ'লো আমি।*

(২) *চৰাই হালধীয়া পাখি বিনন্দীয়া*
*উৰিলে পাবলৈ নাই;*
*যৌৱন থাকে মানে পীৰিতি কৰিবা*
*যৌৱন গ'লে পাবলৈ নাই।*

(৩) *তুমিয়ে আমিয়ে পীৰিতি কৰিলো*
*ঈশ্বৰক কৰিলো সাক্ষী;*
*চৰাই হোৱা হ'লে উৰি গ'লোহেঁতেন*
*তালৈকো নাইকিয়া পাখি।*[১৪]

---

১৩। সংবাদদাতা ঃ পেগু, পবিত্ৰ, ডিব্ৰুগড়।
১৪। ভূঁএগ্ৰা, নকুল চন্দ্ৰ ঃ বহাগী, পৃ. ৩১, ১০৯, ১২২।

**অই নিঃতম ঃ**

১। *আত্ন্ মুৰ্কং মাদলিঃ, ইৰী গ্ৰীল পাঃয়ীপী*

*অই নক্ আয়াঃদীম্, ইৰী গ্ৰীল পাঃপীমাং।*

**ভাৱাৰ্থ ঃ**

সোণ-ৰূপৰ অলংকাৰ শ্ৰম দি পাব পাৰি

তোমাক মোৰ মৰম শ্ৰম দি পাব নোৱাৰি।

২। *আচি বিত্তীৰ কায়ীপী, দৃগ্ন অইয়া চৃকৃৰ্দ'*

*অইনম্ মীঃতীৰ কায়ীপী য়ুম্কুৰ্লা মীদ'দ'।*

**ভাৱাৰ্থ ঃ**

পানীৰ সোঁতৰ হয়তো অন্ত হ'ব পুহ মহীয়া জাৰত

মনৰ ভাববোৰৰ অন্ত পৰিব হয়তো মৃত্যুৰ পিছত।

৩। *চাপৰি অই চাপৰি য়ুপানচুলা য়ুদাগ্গম্*

*আঃনী আচিদী ঙঞিম্ বিত্পুম চুয়ীকুপ।*

**ভাৱাৰ্থ ঃ**

লুইতক বেলেগ বেলেগ চাপৰিত বেলেগে বেলেগে আমাক সমাধি দিলেও লুইতৰ প্ৰবাহিত পানীৰ ঢলে এদিন আমাক মিলাব।

৪। *বৃৰ্মী বৃৰ বৃচাঃতাগ্ লৃঃনী গেনী পাঃৰিঃকি*

*নম্মী অইপী মীঃচাঃতাগ্, মীঃয়গ্ মাঃনাম্ আগম্কি।*

**ভাৱাৰ্থ ঃ**

বয়োজ্যেষ্ঠ বাইদেউ/ককাইদেউৱে মোক ৰঙা নীলা গামোচাৰে তুলি তালি ডাঙৰ কৰিছে।

তোমাৰ প্ৰতি গঢ়ি উঠা প্ৰেম, তোমাৰ পাহৰিব নোৱাৰা কথাৰে আৰম্ভ হৈছে।

৫। *আঃনী আচি বিদ্নাম্দী বিত্তীৰী কামাঃবং*

*ঙক্কী আচিন্ মীঃনাম্চী মীঃতীৰী কামাঃবং।*

**ভাৱাৰ্থ ঃ**

বৰনৈৰ পানীৰ সোঁত কোনো দিন শেষ নাই

তোমালৈ মোৰ যি মৰম ইয়াৰ শেষ নাই।[১৫]

দুখন হৃদয়ত প্ৰেম ভাৱৰ উদয় হয়, লাহে লাহে সময় আৰু বিভিন্ন পৰিৱেশ, পৰিস্থিতিৰ মাজেদি আহি আহি এটা সময়ত ই প্ৰগাঢ় হৈ আহে। এদিন দুচকুৰ মিলন হোৱাৰ পৰা, ৰোমাণ্টিক, ৰোমাঞ্চকৰ অনুভূতিবোৰ এটি এটিকৈ জাগি উঠাৰ পৰা ইজনে সিজনৰ মনৰ খবৰ পোৱাৰ পাছত বেছিভাগ সময় চেনাইলৈ অধীৰ অপেক্ষাত অতিবাহিত হয়। এই মনোৰম সুদীৰ্ঘ অপেক্ষাৰ পৰিক্ৰমা বিবাহ বান্ধোনেৰে উভয়ে বান্ধ নোখোৱাৰ দিনটোলৈ বৰ্তি থাকে।

এই নিঃসংগতা, একাকিকত্ব, সান্নিধ্য কাতৰ অধীৰ অপেক্ষাৰ উৎস আৰু অন্ত ক'ত? নতুবা কি বাটে গ'লে, কাৰ সান্নিধ্যৰ সহায়ত এই আকাংক্ষিত ফল লাভ কৰিব পৰা যায়? প্ৰেমৰ চিৰ স্বাশ্বত স্বৰ্গীয় স্পৰ্শই হাত বাউল দি মাতে। ইয়াৰ আন্তৰিক আহ্বানক প্ৰত্যাহ্বান কৰাৰ কাৰ সাধ্য আছে।

সময় বাগৰি যোৱাৰ লগে লগে প্ৰেমিক প্ৰেমিকাৰ মৰম বাঢ়ি যায়। আপোনতা বাঢ়ি যায়। ক্ৰমে ক্ৰমে প্ৰিয়জনৰ সান্নিধ্য লাভ কৰাৰ স্পৃহা বাঢ়ি আহে। ভোগদৈ নদীত লাঙীজাল পতাৰ পৰা আৰম্ভ কৰি চেনাই আহিব বুলি অতি আশাৰে নিজ হাতে এসাঁজ খোৱাৰ বাবে বকুল বৰা ধানৰ চিৰা খুন্দি ৰখা নতুবা আলি আঃয়ে লৃগাঙত আহিব বুলি কৌপাতেৰে ভাত বনাই, মিবু গালুগ বৈ ৰখা আৰু লৃগাঙত একেলগে এপাক প্ৰাণখুলি গুম্‌ৰাগ নাচিবলৈ ক'লা ৰভৰ ফুলবচা মেখেলা পিন্ধি সাজু হৈ থকাৰ কথা বিহুগীত আৰু অই নিঃতমবোৰত উল্লেখ পোৱা দেখা যায়।

**বিহুগীত ঃ**

(১) *আগলি বাঁহৰে লাহৰী গগনা*

*বহি তাঁতৰ পাতত বাওঁ;*

*আহে কি নাহে ঐ মোৰে ধন চেনাইটি*

*চিৰি পাতি মঙ্গলখন চাওঁ।*

১৫। সংবাদদাতা ঃ দলে, ঘনকান্ত, চিলাপথাৰ।

**অই নিঃতম ঃ**

*অক' দুঃতৌঃল দুঃমৃল',   গৃন্মুৰ ঔচাৰ পাঃয়ৌনী;*

*চৌঃকম্ আজ'ন জন্মৃল', অইকৌ আগম্ পাঃয়ৌনী।*

**ভাৱাৰ্থ ঃ**

কোন ঠাইলৈ গ'লে ফাগুনৰ মৃদু বা পাম

কাৰ লগ ল'লে চেনাইৰ বাতৰি পাম।

**বিহুগীত ঃ**

২। *আগলি বাঁহৰে   লাহৰী গগনা*

*বহি তাঁতৰ পাতত বাওঁ;*

*উলটি উভটি   মাৰোঁ দোৰে পতি*

*জানোচা বাতৰি পাওঁ।*

**অই নিঃতম ঃ**

*পিঃমুগ্ আপ্পুন্ লাঃপাগ্গেল*

*মান্নাম্ দেদুন মদ'বং*

*আচি তক' পৃগ'দ*

*অইনম্ তকাঃল দুঃদবং*

**ভাৱাৰ্থ ঃ**

পিঃমুগ্ ফুল যেতিয়া ফুলে, তেতিয়া ফুলবোৰ ভাঙি দি তাৰে দেন্দুন বাদ্য বনাওঁ; তোমাৰ পানী তোলা ঘাটত তোমালৈ অধীৰ অপেক্ষাত চাই ৰওঁ।

**বিহুগীত ঃ**

৩। *ওপৰে উৰিলে   কৰচন কণুৰা*

*তাৰ লগত উৰিলে বগ*

*মনৰে কথাটি   মনতে ঘূৰিলে*

*ক'বলৈ নাপালো লগ।*

**অই নিঃতম ঃ**

*অমাবইচাং য়ুমীদ*

*পঃল ললাদ লাত্তমাং*

*ঙক্কী আচিন্ মীঃনাম্ চীম*

*লুবি চুক্ক' কাতমাং*

**ভাৱাৰ্থ ঃ**

অমাবস্যাৰ ৰাতি জোনৰ পোহৰ নাপালো

মোৰ মনৰ গোপন কথাবোৰ ক'বলৈ লগৰী নাপালো।

**বিহুগীত ঃ**

৪। *ভোগদৈ নদীতে পাতিলো লাঙীজাল*

*উভতি লাগিলে মোৰা,*

*কিনো মায়া জালত পৰিলি চেনাইটি*

*নেদেখোঁ গধূলি পুৱা।*

**অই নিঃতম ঃ**

*অকল্ অইন' দুংকাংকুন য়াল্লম্ দাক্চিদ্ চুকাংকুন*

*কাপিন্ আয়াং বিগেঃলা ঙম্মী মিত্পান তকুনী*

**ভাৱাৰ্থ ঃ**

চেনাই আজি তুমি থাকা, ক'ত বিচৰণ কৰা, তোমাৰ ছাঁটোকো লুকুৱাই পেলালা।

তুমি কেনে মৰম দিলা ইমান সোনকালে মোক যে পাহৰি পেলালা।

**বিহুগীত ঃ**

৫। *বকুল বৰাধানৰ চিৰা খুন্দিছিলোঁ*

*বিহুতে আহিবা বুলি,*

*চিৰা মলঙিলে পিঠা মলঙিলে*

*বিহুতে নাহিলা তুমি।*

**অই নিঃতম ঃ**

*মিবু গালুগ্ চুম্তাগাই, পুৰাং আপিন্ ৰাঃতাগাই*

*আলি আঃয়ে লৃগাঃদ' নওৰী গৃয়ী ঔম্নাঃমিন*

*য়াকান এগে গীগেঃলা গুম্ৰাগ চঃপী মীঃতাগাই*

*নম্মী আয়্পী মীঃতাগ্বং অকুম বম্পী মীঃলাঃমিন।*

**ভাৱাৰ্থ ঃ**

মিবু গালুগ বৈছিলো পুৰাং ভাত বনাইছিলো, আলি আঃয়ে লৃগাঙত এসাজ একেলগে খাম বুলি ক'লা ৰঙৰ ফুলবচা মেখেলা পিন্ধি গুম্ৰাগ নাচ নাচিম তোমাৰ সতে ঘৰ সংসাৰ কৰিম বুলি তোমাৰ সতে প্ৰেমত পৰিলো।[১৬]

মিচিং অই নিঃতমত নদীৰ উপমা উপচি আছে। ধনশিৰি আৰু সোৱণশিৰি তেওঁলোকৰ বুকুৰ আপোন। সেয়ে গাইছে -

*দন্চিৰি দলঃবীম্ চন্কৃল্ংক দুংকাঃবং*

*মীঃনাম্ অইয়া ক'নীঃমী তাত্কৃল্ংক দুংকাঃবং।*

ধনশিৰি নদীৰ ওপৰত নতুন কলা কৌশলেৰে নিৰ্মাণ কৰা দলংখন বগাই চাবৰ ইচ্ছা জীৱনত থাকি গ'ল আৰু মনে বিচৰা গাভৰুজনীক ৰীতিমতে খুজি বিয়া পাতি আনিবৰ ইচ্ছা জীৱনত অপূৰ্ণ হৈ ৰ'ল।

**বিহুগীত ঃ**

১। *ন-পানী বাঢ়িলে ধেকনি লাগিলে*

*চেনায়ে বৰশী বায়;*

*মোৰে হাততে শিঙৰাই বিন্ধিলে*

*ধনে বেজ বিচাৰি যায়।*

১৬। পূৰ্বোক্ত সংবাদদাতা

২। *পানীতে বাঢ়িলে পানীৰে কলমৌ*
*তেল পাই বাঢ়িলে চুলি;*
*মাকৰ ঘৰতে জীয়ৰী বাঢ়িলে*
*যেন দাম কলৰ পুলি।*

৩। *নৈয়ে এৰিলে মাছ ঐ বহনা*
*মাছেও এৰিলে নৈ;*
*গংগা চিলনীয়ে বাহটো এৰিলে*
*বহনাই এৰিলে পৈ।*

৪। *লুইতৰ সুঁতি দ'কৈ ডুবিলে*
*কাঁচুটি সুলকি গ'ল;*
*আজি যোৱা ৰাতি বিহুৰে তলিতে*
*চেনাইৰে কাজিয়া হ'ল।*

৫। *মাছ মাৰো কলঙত পানী খাওঁ পিয়াহত*
*টোপনি নধৰে চকুত;*
*তোমাক কেনেকৰি পামে ঐ লাহৰী*
*সাৱটি ল'বলৈ বুকুত।*[১৭]

গাভৰু প্ৰেমত ডেকাৰ অন্তৰ পুলকি উঠাটো নতুন কথা নহয়। বিধিৰ বিধান মাটি হ'লেই বন গজে, পানী হ'লেই মাছ ওলায়। ই দিনৰ পিছত ৰাতি হোৱাৰ দৰেই চিৰসত্য। গাভৰুৰ প্ৰেমভৰা কণ্ঠত সিহঁতৰ চকামকা চাৱনিত ভাগৰুৱা জীৱনত মৌ কোঁহ বিচাৰি বিৰহিত ডেকাৰ অন্তৰৰ পৰাই বিহুগীত, অই নিঃতমৰ উদ্ভাৱন হয়।

বিহুতলি বা চঃমানক লত্তাত নতুবা মুকলি পৰিবেশত ডেকায়ো এদিন অচিনাকি গাভৰুক প্ৰেমৰ প্ৰথম দৃষ্টিত ভাল পালে, চকুৰ চাৱনিত দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হৈ মনৰ কথা পাতি মুকলি মনেৰে মনে মনে হয়তো প্ৰতিজ্ঞাবদ্ধ হয়। প্ৰেমিকে অ'কৰাই মৈ উঠিলে নামিব নজনাৰ দৰে বিহুতলি বা প্ৰাকৃতিক পৰিবেশত কথা দি কথাৰে ভুলাই আঁতৰি যোৱা গাভৰুৰ কথা পাহৰিব

১৭। গগৈ, লীলা ঃ বিহুগীত আৰু বনঘোষা, পৃ. ১৯৯, ২০২, ২০৬, ২৩৯, ২৬৯।

নোৱাৰে। সেয়ে ডেকা-গাভৰুৰ মাজত জীৱন এখন বিয়োগান্ত নাটকৰ সৃষ্টি হয়। ডেকা-গাভৰু সতে বুকুৰ আপোনজনক জীৱনৰ মাজ বাটত হেৰুৱাই নোপোৱাৰ বেদনাতকৈ, পাই হেৰুৱাৰ বেদনাত হাবাথুৰি খাই দুখে বেজাৰে বিষাদত জৰ্জৰিত হৈ পৰে। গাভৰুৰ অন্তৰ কেতিয়াবা ফুলতকৈ কোমল কেতিয়াবা শিলতকৈয়ো কঠিন হয় আৰু কেতিয়া কাৰ প্ৰতি কি ৰূপ লয় কোনেও ক'ব নোৱাৰে। পানী চাকনৈয়াৰ দৰে আৰু শৰালি হাঁহৰ চতুৰালিৰে নিমাতী কন্যা হৈ প্ৰেমিকৰ অন্তৰ দহিব আৰম্ভ কৰে। প্ৰেমিকাৰ কথা সুঁৱৰি ডেকাৰ ভাল লাগে কিন্তু সেইবোৰ সকলো মিছা, কাৰণ তেওঁৰ প্ৰতি অন্তৰ শূন্য, যাৰ বাবে কেতিয়াবা ডেকাৰ মনত খেদ উপছে, আৰু কোমলীয়া যৌৱনৰ মন প্ৰাণ বিষাদেৰে ভৰি পৰে। চহা কবিৰ অন্তৰৰ গভীৰ কোণৰ পৰা খেদ, বিষাদৰ পুঞ্জীভূত ভাববোৰ বিহুগীত আৰু অই নিঃতমৰ ৰূপত নিগৰি নিগৰি ওলাই আহে।

**বিহুগীত ঃ**

১। *একালৰ প্ৰেমফুল একালত ছিগিব*
*একালত পৰিব সৰি;*
*কোনোবা একালত কান্দিবি ছোৱালী*
*লোকৰ ভৰি হাতত ধৰি।*

২। *আশা দি নিৰাশা কৰিলি চেনেহী*
*খাবিনো কতবা কাল;*
*থনৰ থনৰ কৰি ভাগিব চেনেহী*
*যেনে বিৰিষৰ ডাল।*

৩। *নৈয়ে এৰিলে নৈয়ে বৰ থলুকা*
*দিহিঙে এৰিলে সুঁতি;*
*সৰুৰে পৰা ফুৰো একেলগে*
*লোকলৈ লগালি জুতি।*

৪। *ধানে দাই গ'লি পিছলৈ নেচালি*
*এৰিলি চেনেহৰ থোক;*
*বামে পাই নাওখন যেনেকৈ এৰিলি*
*তেনেকৈ এৰিলি মোক।*

৫। *কাকে কৈ যাম মোৰে দুখৰ বাতৰি*

*কোনে পাতি শুনিব কাণ;*

*মোৰে দুখৰ কথা ক'বলৈ ধৰিলে*

*শুকাই বৰযুণৰ ধান।*[১৮]

**অই নিঃতম ঃ**

১। *কাপিন্ অইয়া য়ুমৌদ'*

*পঃলব্ লৌঙ্কান চুত'মাঃন*

*কাপিন্ অইয়া দঃয়িদ'ক্*

*ঙম্মী মৌঙকিন বিত'মাঃন?*

**ভাৱাৰ্থ ঃ**

কি ৰাতি আছিল, যিদিনা চন্দ্ৰই দেখা দিয়া নাছিল

তেনে কি কথাত, তুমি মোৰ মনক বুজি পোৱা নাছিলা?

২। *বাঙ্ক'লাঃ দাগ অৗম্নাঙৗই*

*পন্তান্ আঃনৗম্ বাঃদনেই*

*মিত্পান্ লাঃদাগ্ অৗম্নাঙৗই*

*চৗম্পাৰ্ মিত্পান্ দকুনেই।*

**ভাৱাৰ্থ ঃ**

সাঁতুৰিব জানিলেই বহল বৰ নৈত সাঁতোৰে নেকি? পাহৰিব পাৰে বুলিয়েই এনেদৰে কোনোবাই পাহৰিব লাগেনে?

৩। *বৰনৈ বাংক'ল গৃপৗচিন্*

*চৰ্মন্দৗম্ই পৗচদাগ্*

*অইনম্ মালা গৃপৗচিন্*

*বৗত্তৗন্ কাইমৗ পৗচদাগ্।*

---

১৮। চিৰিং বুলন ঃ যৌৱন পথিক, বিহুনাম, পৃ. ২২১, ২২২, ২২৩, ২২৮

**ভাৱাৰ্থঃ**

বৰনৈ সাঁতুৰি সিপাৰ যাবলৈ
ঘৰিয়াললৈ ভীষণ ভয়
মৰমী তোমাক চাব বিচাৰিলেও
তোমাৰ ডাঙৰ দাদালৈ ভীষণ ভয়।

৪। *নাংন বৃ অতেন্ য়াংকুম্‌ল্*
*লৌক'দ্ চৃংতেন্ পংকুপাই*
*মমুৰুচুত' পীৰিতি*
*লৌক'দ্ ময়িন পংকুপাই।*

**ভাৱাৰ্থঃ**

মাতৃয়ে দুনাই জন্ম দিয়াহেঁতেন
পুনৰাই জীৱন আৰম্ভ কৰিলোহেঁতেন
প্ৰেমতো ভুল হ'লে
পুনৰাই শুধৰাব পাৰিলোহেঁতেন।

৫। *দৃগ্‌দাগ্ গম্‌চিন মৃৰুচুদী*
*অৗম্‌পাৰ্ দৃগয়ৗপ্ কিন্‌মাঙাই*
*মৗংমাং গম্‌চিন আতৃন্‌ন'.......*
*চৗম্‌পাৰ ময়ৗ কিন্‌মাঙাই।*

**ভাৱাৰ্থঃ**

জলকিয়া জ্বলা বুলি জানিছিলো, কিন্তু ইমান জ্বলা হ'ব ভবা নাছিলো
ভাল নাপালেও হে মৰমী, ইমান দুখ দিব বুলি ভবা নাছিলো।[১৯]

জীৱনৰ সুদীৰ্ঘ পৰিক্ৰমাত মানুহে বহু অভিজ্ঞতা সঞ্চয় কৰে। দৈনন্দিন জীৱন ধাৰাৰ হাঁহি কান্দোন, আনন্দ নিৰাপদ, লোক পৰম্পৰা, জনবিশ্বাস, লোক-সংস্কাৰ, ভালপোৱা, প্ৰেম-বিষাদ,

---

১৯। সংবাদদাতা ঃ পেগু, পবিত্ৰ, ডিব্ৰুগড়।

খেদ, বিশ্বাস, প্ৰতাৰণা আদিৰ অভিজ্ঞতাৰে জীৱনৰ দৰ্শন লাভ কৰে। জীৱনৰ বাটত সন্মুখীন হোৱা নানান ঘাত প্ৰতিঘাতৰ ফলত ডেকা-গাভৰু জুয়ে পোৱা সোণৰ দৰে উজ্বলি উঠে। এনেবোৰ অভিজ্ঞতাই তেওঁলোকক জ্ঞান প্ৰদান কৰে, কৰণীয়, অকৰণীয়, প্ৰাপ্য, অপ্ৰাপ্য আদি বিষয়বস্তুৰ ওপৰত সম্যক জ্ঞান দিয়ে।

যৌৱনত অতি ধুনীয়া বুলি গৰ্ব কৰি লাভ নাই, ধনী বুলি ভাবিলেও লাভ নাই, যিহেতু সীতাদেৱীৰ দৰে সৰ্বগুণী, ৰূপহী শৌৰ্যশ্ৰী লোকেও এদিন বনলৈ যাব লগা হয়।

বিহুগীত আৰু অই নিঃতমবোৰ প্ৰধানকৈ যৌৱন উলাহী ডেকা-গাভৰুৰ উৎসৱমুখৰ উদ্দাম উদ্দীপনাৰ প্ৰকাশক আৰু ইয়াৰ উৎস হৈছে চহাৰ জীৱনবোধ। কৃষিজীৱী সমাজৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ পটভূমিত ৰচিত বিহুগীত আৰু অই নিঃতম সমূহৰ মাজত বিশ্বজনীনতা প্ৰকাশ পায়।

**বিহুগীত ঃ**

১। *আলিয়ে নাযাবা বালিয়ে কাটিব*
*পথাৰে নাযাবা বেঁকা;*
*পথাৰৰ মাজতে আছে ম'হৰ গোৱাল*
*ছোৱালী জোকোৱাত চোকা।*

২। *ফুলৰে ভিতৰত গোলাপ ফুল ধুনীয়া*
*সিও এদিন মৰহি যায়;*
*নাৰীৰ ভিতৰত সীতাদেৱী ধুনীয়া*
*তাইও এদিন বনলৈ যায়।*

৩। *চৰাই হালধীয়া পাখি বিনন্দীয়া*
*উৰিলে পাবলৈ নাই;*
*যৌৱন থাকে মানে পীৰিতি কৰিবা*
*যৌৱন গ'লে পাবলৈ নাই।*

৪। *ফুলবাৰী পাতিবা জেওঁৰা ভেটিবা*
*কোনে ফুল চিঙিব পাৰে;*
*অন্তৰে অন্তৰে মৰম দি থাকিবা*
*কোনে কি কৰিব পাৰে।*

৫। *লগ লাগি লগৰী যাবলৈ ওলালা*

*চকু ফালি বোৱালা শোক;*

*ধনৰে বাতৰি কাকে ক'মে খুলি*

*কোনে দিব সান্ত্বনা মোক।*[২০]

**অই নিঃতম ঃ**

১। *আতীৰ্ আদীৰ্ দুঃয়কা*

*আতীৰ মিকচীম্ দৃয়কা*

*ঙঃচিন অইয়া দুঃমাঃলাং*

*লঃদীম্ নক্‌কী কীৰাঃদ।*

**ভাৱাৰ্থ ঃ**

অকলে অকলে নাথাকিবা, অকলে অকলে চকুপানীও নুটুকিবা

মই তোমাৰ লগৰী, চিৰদিন তোমাৰ লগতে থাকিম।

২। *পুন্‌দব্ কাঃনাম্ আপ্পুন্‌দীম*

*কাঃপপ্ কাঃয়ীম পুন্‌য়কা*

*মুৰ্কং কাঃদপ্ কাঃয়ীম্‌ল*

*আত্নীমপী কাঃয়কা।*

**ভাৱাৰ্থ ঃ**

ধুনীয়া দেখিলেই, যিকোনো ফুল নিচিঙিবা,

টকা-পইচা দেখিলেই, তাকেই সোণ বুলি নাভাবিবা।

৩। *অৃচং আগ্‌লীং পিগাব্‌য়ীম্*

*কৃঙগৃঃন্ আগ্‌লীঙ পিগাব্‌লাং*

*আন্‌পব্ দুৰ্পী মীঃয়ীমৃল্*

*তুৰ্ব নীদীম্ কাংকিন্‌লাং*

---

২০। সংবাদদাতা ঃ গগৈ, পদ্মেশ্বৰ, জালবাৰী।

**ভাৰাৰ্থঃ**

গছৰ ডালত যদি ধৰিব খোজা, চাই লৈ পুৰঠ ডালতহে ধৰিবা
সুখেৰে জীয়াই থাকিব যদি খোজা, লগৰীয়াজনক ভালকৈ চিনি ল'বা।

৪। *তুৰ্ৰা দুঃনাম্ ঔম্মুম্কাং*
*দালৃগ্কদই মিমাগী*
*মৌঃমিঃ কৰলাং দাকৰৌম্*
*দামুৰ মৃলই চিনামৌহ।*

**ভাৰাৰ্থঃ**

জীয়াই থকাটো ইমান সহজ নহয়, প্ৰতি খোজতেই সংগ্ৰাম
ভাবি চিন্তি খোজ দিবা, পিছলি পৰিলেই মৃত্যুৰ মুখত পৰিব।

৫। *ঙক্কৌ কিন্মাং কিন্মাপী*
*দঃলুং গৃয়ক্ ঔম্মাঃলাং*
*চৌঃকাই আয়াং বিদাগ্গম্*
*তৰ্ক্ চুয়ক্ ঔম্মাঃলাং।*

**ভাৰাৰ্থঃ**

মই নজনাকৈ নোকোৱাকৈ, ফুৰিবলৈ মানা কৰিছিলো নহয়
আন কোনোবাই মৰম যাচিলেও, গ্ৰহণ কৰিবলৈ মানা কৰিছিলো নহয়।

৬। *দমাং ঔম্লা কিন্গেঃলা*
*য়গ্মম্ দকাপ্ মৌঃদনেই*
*চৃঃচাং চৃঃবুগ্ আয়িৰৌম্*
*য়গ্ম' মাকাদ্ কাদ্দনেই।*

**ভাৰাৰ্থঃ**

অখাদ্য বুলি জানিও, বিষ পাণ কৰাৰ চিন্তা কৰে নেকি
যৌৱনৰ আদিম বেলাতে, বিষময় কৰাৰ চিন্তা নকৰিবা।

৭। *লৃংনী গেনী আপ্লুনদী*

*পুন্‌তীৰ্ চুগেংল্ চান্‌য়ৌপী*

*তানিং লক্‌কী চৃংচাংচী*

*লংগ্ৰিক্ তুৰ্‌গেংল্ চিয়ৌপী*

**ভাৱাৰ্থ ঃ**

ৰঙা-নীলা ফুলবোৰ, এবাৰ ফুলি শুকাই যাব

মানৱ জীৱনৰ পৰিক্ৰমাও, দুদিন থাকি মৰহি যাব।

৮। *য়াকান্ মিবু গালুগ্‌দীম্*

*বেদ্‌মৃল্ য়প্‌পাগ্ লাংয়ৌপী*

*মীংনাম্ আচিন্ য়াংমৃল্*

*অইয়া য়প্‌পাগ্ লাংয়ৌলাং।*

**ভাৱাৰ্থ ঃ**

ক'লা ৰঙৰ মিবু চোলাটি, ফাটিলে পেলাই দিব পাৰি

মন ভাঙি গ'লে, পেলাই দিব জানো পাৰি।[২১]

যৌৱনে ডেকা-গাভৰুৰ জীৱনত পূৰ্বৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি, প্ৰণয় আৰু মিলনৰ মধুৰিমা বাকি দিয়ে। কোনোবাই প্ৰণয়ৰ পূৰ্ণতাৰে দাম্পত্য জীৱনৰ পাতনি তৰে, কিন্তু কোনোবাই পায় বিচ্ছেদ বিৰহৰ বান, আমঠু ক'লা পৰি যোৱা শব্দ আৰু বুকুত সৰিয়হ ফুটা একুৰা জুই। তেতিয়া মনত অঠাই সাগৰত গুজৰি গুমৰি থকা ভাৱবোৰ অবিৰত গতিৰে ওলাই আহে —

**বিহুগীত ঃ**

*ধনশিৰি দলংখন ভেটিলে ঐ চেনাই কণ*

*লোহাৰ ঐ শলখা মাৰি;*

*তোমাকে ঐ আমাকে ভেটিলে ঐ সমাজে*

*দুটি দেহা দুফালে কৰি।*

২১। সংবাদদাত্ৰী ঃ পাৰ, প্ৰণিতা, জোনাই।

বিচ্ছেদৰ দোকোল টকা বানত মনৰ সেউজীয়া আশা-আকাংক্ষাবোৰ উটি যাব খোজে, বিৰহৰ প্লাৱনত মন বুৰ যায়, তথাপি মনে নামানে, মন অবুজন, মনে ওদালৰ ডোল ছিঙি ল'ৰ মাৰিব খোজে। গতিকে পুৰণি পীৰিতিৰ স্মৃতি ৰোমন্থন কৰি আক্ষেপ কৰা দেখা যায় -

**বিহুগীত ঃ**

*বৰঘৰৰ মূধতে ভঁড়ালৰ টুপতে*
*চৰাই ফুটুকলা খায়;*
*মোৰ জানো মনতে পৰে ঘনে ঘনে*
*তোৰহে মনতে নাই।*

সেয়ে জানো বুকুৰ বেদনা পাতলাব পাৰে? বিচ্ছেদ বিৰহৰ জীয়া জুই সহিব নোৱাৰি জীৱনৰ প্ৰতি মোহ হেৰুৱাই পেলায়। তেতিয়াই মিচিমিয়ে অনা বৰ বিহ খাই জীৱন লীলা সমাপ্ত কৰিব বিচাৰে।

আনহাতে চাতুৰী গাভৰুৱে নিমাতী কন্যাৰ ভূমিকা গ্ৰহণ কৰি পলায়ন প্ৰবৃত্তিৰে আঁতৰে আঁতৰে থাকি, ডেকাই প্ৰেম সাগৰত হাবু-ডুবু খাই সাঁতুৰি নাদুৰি ফুৰাৰ দৃশ্য আঁতৰৰ পৰা চাই থাকে। ডেকাই প্ৰেমৰ বিৰহ বেদনাৰ ভাৰ বব নোৱাৰা অৱস্থা হয়। পুৰা মাছ দেখুৱাই বিড়ালীক নচুবাৰ দৰে গাভৰুয়ে প্ৰেমীক ডেকাক নচুৱাই আলেঙে আলেঙে চাই থাকে।

**বিহুগীত ঃ**

*চিপ্ চিপ্ কৰি বৰষুণ দিছিলে*
*তিয়ালে দূবৰি বন;*
*আগেয়ে নাজানো এতিয়া জানিছো*
*তোমাৰ দফলীয়া মন।*

এদিন স্বয়ং ভগৱানেই তিৰোতাৰ মন বুজিব নোৱাৰিলে, তেনেক্ষেত্ৰত অজলা চহা ডেকাই তিৰোতাৰ মন সহজে বুজে কেনেকৈ। ডেকায়ো পৰাপক্ষত তেনে চাতুৰী প্ৰেমৰ পৰা বিৰত থকাকে বিচাৰে। কিন্তু জন্ম, মৃত্যু, বিবাহ ভাগ্যৰ লিখন হোৱাৰ দৰে ক'ব নোৱাৰাকৈ হঠাতে প্ৰেম হয় আৰু কিছুৰে এই উজুটি খায়।

**বিহুগীত ঃ**

১। *চৰাইৰ কপটীয়া　　শেণ ঐ মইনা*
*চৰাইৰ কপটীয়া শেণ;*
*ডেকাৰ কপটীয়া　　তুমি সোণামুৰা*
*কথাতে লগোৰা জেং।*

২। *ক'লৈ যাম কি কৰিম　　লাগিছে লগৰী*
*ক'লৈ গলে পাহৰিম তুক*
*মিচিঙি আহিব　　বৰেবিহ আনিব*
*তাকে খাই পাহৰিম তোক।*

৩। *জন্ম লৈ আহোতে　　কত দুখ লগালো*
*শূইনত দি আহিলো ভৰি;*
*সেই দেখি ঈশ্বৰে　　এই গতি কৰিছে*
*সুখৰ মুখ নেদেখা কৰি।*

৪। *হালে বাই খুৰাব　　নালাগে দেহাজান*
*হাততে এচৰি লৈ;*
*ক'ৰবাত হুলে জেঙে　　ফুটিব লাগিলে*
*তেজে বৈয়ে যাব নৈ।*

৫। *আহুধানৰ আশাতে　　শালি নাৰাজিলো*
*টিপাই নজলালো জুই;*
*তোমাৰ আশাতে　　আনলৈ নগ'লো*
*আনত মোৰ পাবলৈ নাই।*

৬। *কিনো মাতেযাৰি　　লগালি দেহাজান*
*কুমলীয়া মাতেৰে মাতি;*
*দিমে চুৰিখনি　　ল'বি হাতে পাতি*
*কোব মাৰি পেলাবি কাটি।*

৭। *তোমাৰ বিয়া যিদিনা মই মৰিম সেইদিনা*

*ওপৰে উৰিব পক্ষী;*

*তুমিনো দেহাজান থাকিবা কেনেকৈ*

*মোকে খৰি দিয়া দেখি।*

৮। *তোমাৰে বাতৰি নাপাওঁ ভালেকৰি*

*চিঠি নাই বিজুলী ভকত;*

*ফুলো তই নহ'লি চিণ্ডি আনি ল'বলৈ*

*শুণ্ডি মই চাবলৈ নাকত।*[২২]

**অই নিঃতমঃ**

১। *আদি কবুগ্ কৰাঙৌ*

*তগুঃ য়ৌলাং পৰাঙৌম্*

*নঙৰীই লাংল্ মাংমৃল*

*লাংবিয়েলাং ঔৰাঙৌ।*

**ভাৰাৰ্থঃ**

পাহাৰ যিহে ওখৰা-মোখৰা তাত চেপা পাতিব পৰা হ'বনে?

তুমিয়ে যদি মোক আনিব নিবিচৰা ঘৰৰ মানুহে বিয়া পাতি দিব জানো?

২। *অংলীম্ গৃত অমাৰক'*

*মইয়ীম্ নীৰ্ত' এচাংক'*

*জাবৰ উংবিন্ কামাংলা*

*মিক্‌চীম্ দৃত' বালতিংক'।*

**ভাৰাৰ্থঃ**

হাল বালো সমাৰ, মৈয়ালোও এবাৰ

জাবৰ গুচোৰা নথকাত চকুপানী নিগৰালো এবাল্টি।

---

২২। সংবাদদাত্ৰী ঃ গোঁহাই, সোনাদৈ, দীঘলাগাওঁ

৩। *আচি তৃঃলৃঃল্ তৃঃতনৗ*

*মেন্জেগ্ কৗত্ক' পাঃতাঃদ'*

*কাঃলৃগ্ চুলা গৃতনৗ*

*দুঃগৗম্ মৗঙকিন্ মাংকদ'।*

**ভাৱাৰ্থঃ**

পানীৰ পিয়াহত কাতৰ হৈ খালোগৈ ম'হে গাধোৰা পুখুৰীত

ভাল পাই বিয়াত সোমালো দুখ বুজি নোপোৰা জনৰ লগত।

৪। *আইপৗ মৗঃদাগ্ অৗম্গেঃলা*

*ঙক্কৗপ গৃয়ৗ অৗম্গেঃলা*

*মিৰৗম্ নৗক' পাংগেঃকুলা*

*অইনুক্ লাঃত অৗম্কাংকুন।*

**ভাৱাৰ্থঃ**

ভাল পাওঁ বুলি কৈ মোৰ লগত বিয়াত বহিম বুলি কৈ ধনী ল'ৰা

এজনক পাই আন এজনীক ভাল পাবলৈ ক'লে।

৫। *তলক্ দঃএৗ লৃঃচাঃয়ৗ*

*বলক্ পঃল অৰাঃদুং*

*মৗঃপল্ দুঃমপ্ অৗমগেঃলা*

*লৗক' লৗক' কাব্মদুং।*

**ভাৱাৰ্থঃ**

পূবত বেলি উদয় হৈ পশ্চিমত মাৰ গৈছে

সুখত ৰাখিম বুলি কৈ ঘনাই ঘনাই কান্দিব দিছে।

৬। *অইয়ৗ অইয়ৗ অন্জালা*

*দুমি পনাম্ গন্জাঃলৗ*

*মৗঃমি মৗঃমিল্ মৗঃচাঃয়ৗম্*

*তুৰ্প কামাং জন্জাঃলৗ।*

**ভাৱাৰ্থঃ**

মৰমী অ মোৰ চিৰ লগৰী, অ' ধোমে গুঠা ঘনজাল

গভীৰভাৱে যেতিয়া চিন্তা আহে, জীয়াই থকাতো বৰ জঞ্জাল।

৭। *কুংনী নীকুং অয়িঙীম্*

*অঙমাঃমৃল্ দগেঃমাং*

*আইৰুঃপ আইদাগ্ ঔম্‌দাগ্‌গম্*

*অপ্‌ন কামাঃপ গৃগেঃমাং।*

**ভাৱাৰ্থঃ**

টেঙা নল টেঙাৰ শাক, মাছ নহ'লে নাখাওঁ দিয়া

বৰ ভাল বুলি আনে ক'লেও, বংশৰ পৰিচয় নথকা জনৰ লগত বিয়া নহওঁ দিয়া।[২৩]

সময় চিৰন্তন গতিশীল। বিহুগীত আৰু অই নিঃতমত সময়ৰ বুলনি আছে; স্থানীয় পৰিবেশৰ কৰাল লাগি আছে আৰু আছে প্ৰকৃতিৰ মধুৰ পৰশ। এই গীতবোৰৰ মাজত স্থানীয় পৰিৱেশত, সময়ৰ ভিন্ন মুহূৰ্তবোৰত সংগঠিত ঘটনা, পৰিঘটনা সকলো ব্যক্তিৰ মনত স্মৃতি হিচাপে সঞ্চাৰিত হৈ ৰয়। অনাগত দিনবোৰৰ আৱেগিক মুহূৰ্তবোৰত তাৰে খণ্ড চিত্ৰবোৰে ব্যক্তিৰ মানস পটত উজ্বলি উঠে। আৰু স্মৃতিৰ পৰশে তেওঁলোকৰ মনবোৰ উদ্দেলীত, উচ্ছাৰিত কৰি ৰঙীণ ৰঙৰ সাগৰত ডুবাই ৰাখে।

মানৱ স্মৃতি হ'ব পাৰে ভিন্ন ৰূপৰ। যৌৱন কালত বা ল'ৰালি কালত কোনোবা মনে লগা ব্যক্তি, প্ৰিয়জনৰ লগত হাতে ধৰা ধৰি কৰি কলং, জাঁজী নৈ পাৰ হোৱা, কোনোবা বিলত মাছ মৰা, চিৰি লুইতৰ পাৰত কোনো গাভৰুৱে কাপোৰ ধুই থাকোতে লগ পোৱাৰ মধুৰ স্মৃতি। আনহাতে কোনো আহুধানৰ তলিত ধান নিৰাই থাকোতে মনৰ কথা পতা, নদীৰ পাৰে পাৰে উলু বনৰ শিপা খুচৰি খোৱা বয়সৰ স্মৃতি ইত্যাদি ইত্যাদি।

২৩। সংবাদদাতা ঃ গাম, একালব্য, ধেমাজি।

**বিহুগীত ঃ**

১। *হাতত ধৰি ধৰি কলং পাৰে হ'লো*

*জাঁজী পাৰে হ'লো ডেও;*

*পথাৰে পথাৰে বিচাৰি ফুলিলো*

*কওঁতা নহ'লে কেও।*

২। *পাভমাৰী বিলতে পল মই বাইছিলো*

*চাবত পাই গ'লো কাছ;*

*একেজন ঈশ্বৰে তোকে মোকে সৰজিলে*

*কিনো ভাল বেয়া বাচ।*

৩। *চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো*

*চিৰি লুইতলৈ চাই;*

*চিৰি লুইততে কিলিলি পাৰিলে*

*ধনে নাও মেলি যায়।*

৪। *সৰুতে পিতাইদেউ জাকৈ সাজি দিলে*

*নালতো বিন্ধিলে ঘূণে;*

*দিখৌ পাৰে কৰি দিয়া বিয়া কৰি*

*সৰু মাছ মাৰিব কোনে?*[২৪]

**অই নিঃতম ঃ**

১। *অৃংঊম্ নৃগ্‌গাব্ নৃগ্‌গাব্‌লা*

*গুনিঃ ৰৃগু মতাগাই*

*অইনম্ কাব্‌লৃগ্ কাব্‌লৃগ্‌লা*

*অইনম্ আইপী মৌঃতুঙাই।*

২৪। সংবাদদাতা ঃ গগৈ, থানেশ্বৰ, দীঘলাগাওঁ।

**ভাৱাৰ্থঃ**

অলাগতিয়াল বন বিচাৰি বিচাৰি আহু ধানৰ বন নিৰাইছিলো

মৰমী তোমাক চকুপানী মচি মচি গভীৰভাৱে ভাল পাইছিলো।

২। *অইনক্ বিনাম্ আয়াঃদীম্*

*অইনক্ লুনাম্ আগম্‌দীম্*

*য়ুমী ৰওৰী আপিন্‌পী*

*দদুঃনীম্‌পী মীঙগাপ্‌ত।*

**ভাৱাৰ্থঃ**

মৰমী তুমি দিয়া মৰম তুমি কোৱা কথাবোৰ

প্ৰতিদিনৰ আহাৰৰ দৰে গুৰুত্ব দি মনত ৰাখিছিলো।

৩। *অইনম্ মীঃলা দুঃদদীম্*

*চীক্‌কী লুগ্‌গীম্ তাত্‌কুমাঃন্*

*অইনক্ লীগাং কাব্‌দদীম্*

*চীক্‌কী য়ুৰ্কাং তাত্‌কুমাঃন।*

**ভাৱাৰ্থঃ**

মৰমী তোমাক ভাল পাই থকা দিনত কাৰ সমালোচনা শুনা নাছিলো

তোমাৰ কাৰণে চকুপানী টুকি থকা সময়ত কাৰ ঠাট্টা মস্কৰা শুনা নাছিলো।

৪। *ৰওৰী ৰকম্ কীনঃলা*

*পিন্‌কাং আপিন দকুতাং*

*অইনম্ গুচুগ্ চুগেঃলা*

*মিক্‌চীম্ দুলা কাপ্‌কুতাগ্।*

**ভাৱাৰ্থঃ**

ৰাতিপুৱা ভোকত পৰি পঁইতা ভাত খাই পাইছো

মৰমী তোমাক বিদায়ৰ পাছত চকুপানী নিজৰাই পাইছো।

৫। *আচিনাঙই অনামী*

*কঃলাবাতি কন্‌নাম্‌দীম্*

*ৰাগ' ৰুঃয়িদ দুংগেঃলা*

*ৰত্‌কাঃ মৃনচুল দনামদীম।*

**ভাৱাৰ্থঃ**

মৰমী তোমালৈ বৰকৈ মনত পৰে উলুবনৰ শিপা খুচৰি খোৱা দিনৰ কথা মনত পেলাই নদীৰ গৰাত বহি লৈ টনা আঁজুৰি ধেমালি কৰি খোৱা দিনবোৰলৈ মনত পেলাই।

৬। *আজ্‌জও দক্‌বীব্ কওৰীঃনম্*

*দঃলুঃল্ চৃঃজন্ চুজনী*

*আঃনী ৰুঃয়িদ্ গৃলেন্‌না*

*চুল্‌লিঃ অকুম্ মজনী।*

**ভাৱাৰ্থঃ**

একেবাৰে ল'ৰালি কালৰ পৰা তোমাৰ লগত একে গাঁৱতে ডাঙৰ দীঘল হোৱা নদীৰ পাৰত গৈ বালি ঘৰ সাজিছিলো।

৭। *চৃঃতা চৃঃমা চুদান্‌না*

*নম্‌মঃ আইপী মীঃতাগাই*

*গৃপুম্ লাঃপুম্ চুগেঃলা*

*তুৰ্‌জন্ চুপী মীঃতাগাই।*

**ভাৱাৰ্থঃ**

যৌৱনত ভৰি দিয়েই কেৱল তোমাকে ভাল পালো

তোমাক বিয়া কৰাই একেলগে জীয়াই থকাৰ সপোন আছিল।[২৫]

বিহুগীত আৰু অই নিঃতম উদ্দাম যৌৱনৰ গীতিব্যঞ্জক অভিব্যক্তি। মুক্ত পৰিবেশ, উন্মুক্ত আৱেগ আৰৰু উৰুঙা পথাৰখনৰ প্ৰতিধ্বনিবোৰতেই এইবোৰ গীতৰ জন্ম। যৌৱন জীৱনৰ কঠীয়াতলি।

---

২৫। সংবাদদাত্ৰী ঃ পেগু, অৱন্তী, ঢকুৱাখানা।

অযুত আশাৰ নিযুত বাসনাই ভুমুকি মাৰে যৌৱনৰ দুৱাৰডলিত। জীৱনৰ নতুন সোৱাদ বিচাৰি বাউল হোৱা মনটোৱে সৃষ্টিৰ নিয়ম মানিয়েই উকি মাৰে লগৰীয়া বিচাৰি। কুমলীয়া দেহত গজি উঠে সেউজীয়া আশা, আকাংক্ষা, সপোন, হেঁপাহ, বিশ্বাস আৰু প্ৰেম। মিলনৰ দুৰ্বাৰ বাসনাৰে ডেকা-গাভৰুৰ মন ওচৰ চাপি যায়। এই সময়ত ভাবে মুক্তি বিচাৰে। ভাষাই মুক্তি বিচাৰে; মুক্তি বিচাৰে সৃষ্টিৰ আদিম সত্যটোৱে।

যৌৱন ধুনীয়া। যৌৱনৰ পৰশত পৃথিৱীখনো ধুনীয়া হয়। সৌন্দৰ্যৰ প্ৰতি তীব্ৰ হেঁপাহ এটা জাগি উঠে। পুৰুষৰ নাৰীৰ প্ৰতি, নাৰীৰ পুৰুষৰ প্ৰতি আকৰ্ষণ বাঢ়ে, অংগবিশেষৰ আকৰ্ষণ প্ৰকট হৈ উঠে।

*তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন*
*বুকুতো পদুমৰ চকা;*
*তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন*
*ৰেচমৰ কাপোৰে ঢকা।*

সাধাৰণতে মানুহৰ শাৰীৰিক সৌন্দৰ্য আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ ৰিজনিতেই বিহুগীত আৰু অই নিঃতমৰ উপমাবোৰ সজীৱ হৈ উঠা দেখা যায়। যৌৱন হ'ল সপোনৰ বিচৰণ ভূমি। সপোনৰ মুক্ত প্ৰকাশ, বিচৰণৰ ফলত শব্দৰ ৰূপত চহা কবিসকলৰ অন্তৰৰ পৰা নিগৰি ওলাই আছে বিহুগীত আৰু অই নিঃতমৰ ৰূপত।

**বিহুগীত ঃ**

১। *চিঠি দিম এজাৰত চিঠি দিম বেজাৰত*
*চিঠি দিম পিয়নৰ হাতত;*
*চিঠিৰে ভিতৰত কি কথা লিখি দিম*
*নক'বা শতৰুৰ আগত।*

২। *চকুলৈ কি চাপি আকাশৰ তৰা যেন*
*মইনা চৰাই যেন মাত;*
*হাতৰে লাহৰে খাৰুযো পিন্ধিলি*
*বিজুলী জিলিকে গাত।*

৩।	*তোমৈ চাই ৰঙিলী	অ' ৰহিমলা*

*বান্ধি যাওঁ ডাঙৰী	অ' ৰহিমলা*

*গৰা চপাই বান্ধি যাওঁ	নাৰে ৰহিমলা*

*খোপাত বনমালা*

*ৰঙাৰিহা পিন্ধি*

*বৰণটি সলালা।*

৪।	*গাৰে কেঁচা মঙহ	অ' বনলতা*

*কাকো নিবিলাবি	অ' বনলতা*

*এথানি এবানি	কৰি বনলতা*

*ৰূপৰ পাণে বটা*

*তুমি তামোল কটা*

*তুমি তামোল কটা খাওঁ।*

৫।	*হাতৰে আঙুলি	পবালি পবালি*

*ভৰিৰে আঙুলি ঘন;*

*কোনজন ঈশ্বৰে	তোমাক ঐ সৃজিলে*

*চাইনো চাই থাকিবৰ মন।*

৬।	*তোমালৈ চাওঁতে	জপনা দেওতে*

*ফুটিলে অঘয়া ফুলে*

*তোমাৰ মনে গ'লে	আমাৰ মনে হ'লে*

*কি কৰিব অজাতি কুলে।*

৭।	*চৰাই হৈ পৰিমগৈ	ছৰৰা বিলত ঐ*

*মাছ হৈ পৰিমগৈ জালত;*

*ঘাম হৈ পৰিমগৈ	তোমাৰে শৰীৰত*

*মাখি হৈ পৰিমগৈ গালত।* [২৬]

---

২৬। সংবাদদাতা ঃ গোঁহাই, থানেশ্বৰ, ঘিলামৰা।

**অই নিঃতম ঃ**

১। *লৃংনী গেনী আপ্লুন দক্*

*কাংকান নীদীম্ পুন্নৃঃদাগ্*

*আজন্ আৰুম্ জন্ক'দক্*

*মীংনাম্ অইনম্ পাঃলৃঃদাগ্।*

**ভাৱাৰ্থ ঃ**

ৰং বিৰঙৰ ফুলৰ মাজত অতিকৈ ধুনীয়াটিক চিঙিবৰ মন

লগ সংগ লোৱাৰ সময়ত মৰমী তোমাক কাষত পাবৰ মন।

২। *লংঙীম্ আইপী গুয়ীমৃল্*

*আন্চৃংন আচি তৃঃলৃঃদাগ্*

*আতীৰ্ আতীৰ্ দুঃয়ীমৃল্*

*আচিন্ আইপী মীংদৃৰ্দাগ্।*

**ভাৱাৰ্থ ঃ**

দিনত বেছি গৰম হ'লে ঠাণ্ডা পানী খাবৰ মন যায়

অকলে অকলে থাকিলে মন বেজাৰ লাগি যায়।

৩। *অৰনৰি আঃনীদ'*

*চুল্লিঃ কুৰ্কুল মলাঃবই*

*অন্দিয়াঙই আয়িৰদ'*

*মীংনাম দঃয়িং কৃলাঃবই।*

**ভাৱাৰ্থ ঃ**

ব'লা অৰনৰি নদীৰ কাষত বালি ঘৰ সাজিবলৈ যাওঁ

গধূলি পৰত তাতে মনৰ কথা পাতিম আহা।

৪। *নগিন্ পঃৰ তৃৰ্লাদুং*

*আইয়'প্ তন্না তৃঃলাঃপী*

*গৃপুম্ লাঃপুম্ চুগেঃলা*

*অকুম্ বম্না দলাঃপী।*

**ভাৱাৰ্থঃ**

নগিন, ছাই্ মদ খাবৰ পৰা হৈ আছে, জুতি লগাকৈ এসাজ খাওঁ আহা
দুয়ো মিলন হৈ ঘৰ বাৰী বনাই থাকো আহা।

৫। *অইনম্ মৌংনাম্ আচিন্চৌ*
*আবুং আচিপ্ ইয়্য়াংমৃল’*
*ৰৌঙাম দুংক’ দুংকল’*
*বিদ্গঙংলা কাংকৃপাই।*

**ভাৱাৰ্থঃ**

তোমাৰ প্ৰতি মোৰ মৰম যদি নৈৰ পানী হ’লেহেঁতেন
সমাজে বাস কৰা সকলো অঞ্চললৈ বৈ গৈ চালোহেঁতেন।

৬। *অইনক্ আয়াং বিকাম্পৌ*
*চৌংকাই আয়াং বিয়েলাং*
*মিত্পান্ চুপৌ মৌংলাংচিন্*
*মিত্পান্ চুলাং য়ৌকুলাং।*

**ভাৱাৰ্থঃ**

তুমি ভালপোৱাৰ দৰে মোক কোনোবাই মৰম দিবনে
তোমাক পাহৰি যাব বিচাৰিলেও পাহৰিব পাৰিম জানো?

৭। *নাংনী বাংবুক্ আগম্দৌম্*
*আয়াং বিলা লুনাম্দৌম্*
*নক্কৌ আয়াং মৌংকল’*
*লুয়িৰ আগম্ মিত্পানদুং।*

**ভাৱাৰ্থঃ**

মা দেউতাৰ কথাবোৰ, মৰমেৰে কোৱা কথাবোৰ
তোমাৰ কথা ভাবোতে, তেওঁলোকৰ উপদেশ পাহৰি গ’লো।

৮। *অৰনৰি বিদ্‌দদীম্*

*কেকন্‌লংপ মংতীঔ*

*নক্‌কী আয়াং পাংদ্‌দম্*

*মংতীংদীংচিন্ আনিনী।*

**ভাৰাৰ্থ ঃ**

অৰনৰি নৈত পানীৰে উপচি পৰা সময়ত সিপাৰলৈ বহুত দূৰ;

তোমাৰ মৰম পাই থকা সময়ত দূৰো অতি ওচৰ আছিল।[২৭]

বিহুগীত আৰু অই নিঃতমবোৰ চহা লোকৰ দ্বাৰা ৰচিত গীত। তথাপিও সাহিত্যৰ বিভিন্ন ৰসেৰে সমৃদ্ধ। এইবোৰ গীতত আদিৰ লগতে হাস্য ৰসৰো সুন্দৰ উপস্থাপন দেখা পোৱা যায়। এনে ঠাট্টা, মস্কৰা পূৰ্ণ গীতবোৰত সাধাৰণতে ডেকা-গাভৰুৰ শাৰীৰিক অবয়ৱৰ বিকৃত, হাঁহি উঠা বৰ্ণনা, প্ৰাকৃতিক বস্তু, আকাৰ আদিৰ লগত ৰিজনিৰে, উপমাৰে বৰ্ণনা কৰা দেখা যায়। কোনজনী গাভৰুৰ মুখখনি কেনেকুৱা, চুলি কেনেকুৱা, মুখৰ মাত-কথা, আচাৰ-ব্যৱহাৰ কেনেকুৱা ইত্যাদিৰ এক হাস্যমুখৰ ৰূপ আমি বিহুগীত আৰু অই নিঃতমৰ মাধ্যমত দেখিবলৈ পাওঁ।

চহা কবিৰ ধেমেলীয়া গীতবোৰ যদিও ঠাট্টা মস্কৰাপূৰ্ণ কথাৰে পূৰ্ণ তথাপিও সংযত ভাষাৰে বৰ্ণিত। তাত কোনো অশ্লীল, কটুক্তিয়ে সীমা চেৰাই যোৱা প্ৰত্যক্ষ কৰা নাযায়।

**ৰিহুগীত ঃ**

১। *কালি অ' মইনা যমৰজা আহিছিল*

*মোকে নিবলৈ বুলি;*

*বাসুদেৱ গোসায়ে ওভোতাই পথালে*

*ছোৱালী অনা নাই বুলি।*

২। *গাৰে কাপোৰ কানি ফুটুকা ফুটুকি*

*ক'লৈনো আছিলি গৈ;*

*জহনিত যাৱতী খোপাত জুই লাগতি*

*কেনেকৈ দিছিল বৈ।*

---

২৭। সংবাদদাত্ৰী ঃ কামান দলে, কুঞ্জলতা, বিলমুখ।

৩। *হাফলু পৰা হৈ দিফলু দেখিলো*

*বগীবিলত দেখিলো গাই;*

*জালিকটা বেৰেদি চেনাইজনীক দেখিলো*

*গাত কাপোৰ কানি নাই।*

৪। *মহে ডাংকাচি টলঙা পিন্ধিলি*

*গৰু ডাংকাচি ডাকু;*

*তই ডাংকাচি ঢাপলি মেলিলি*

*মই কাৰে লগত থাকোঁ।*

৫। *শিমলুৰ লেলেঙা ডালটি পুলুঙা*

*দৰিকৰ লেলেঙা ঠোঁট;*

*তোলৈ যোৱাতকৈয়ো যামে বাপেৰলৈ*

*মাহী আই বুলিবি মোক।*

৬। *চাউল দিলোঁ ছটিয়াই চিঠি দিলোঁ পঠিয়াই*

*অজলা পিয়নৰ হাতত;*

*অজলা পিয়নে তোমাৰ হাতত নিদিলে*

*চুৰট খাই পেলালে খকত।*

৭। *গধূলি গধূলি মই ফুৰোঁ পদূলি*

*বাঘে খায়ে যদি খক্;*

*মাটি মাহৰ গছতে উঠিম লাফে মাৰি*

*দেহা যায় যদি যক্।*[২৮]

**অই নিঃতম ঃ**

১। *য়ুমী য়ৰাং কৃদৃচুদ্*

*অকল্ কঃনীং গৃগঃদুং*

*মীতুং বম্গঃ বম্গংলা*

*নাঃঞ্জি কাঃকৃৰ মাগঃদুং।*

---

২৮। সংবাদদাতা ঃ গগৈ, কেশনাথ, দীঘলাগাওঁ।

**ভাৰাৰ্থঃ**

ৰাতি বাৰ বজাত ক'লৈ গৈ আছিলা,
মাৰে-বাপেৰে বিচাৰি ফুৰিছে হাতে জুৰে খৰি লৈ।

২। *আম্‌ৰ' আৰ্‌গ ইতাগায়ী*
*নীচিন্ য়াঃয়াঃন্ ইঃপাক্‌কাঃনী*
*নাঃগ্রি কাঃকৃক্ অঃমীদক্‌কী*
*মীঃনাম য়াঃয়াঃপ্ ইপাক্‌কাঃনী।*

**ভাৰাৰ্থঃ**

আহু ধান লগাইছিলো, অপতৃণেৰে ভৰিল
শাহু শহুৰৰ ছোৱালীজনীৰ প্ৰেমিকাৰে ভৰি পৰিল।

৩। *চিয়ুম্ চুঃৰক্ মৃম্‌বৃৰী*
*কৰাই কামাঃন্ আপঙী*
*তুক্‌চৃগ্ কামাঃন্ কঃনীঃদী*
*ৰীঙাম্ ইয়য়ীম্ তৃঃদুঃনী।*

**ভাৰাৰ্থঃ**

শৰাই নোহোৱা সাধু কৰাহী নোহোৱা মদৰ দৰে
নিলাজ ছোৱালীবোৰে সমাজৰ ইজ্জত খায়।

৪। *তিনি আলিঃদ দুঃয়কা*
*ৰীলা আপং তৃয়কা*
*এমেঃপ্ গৃপী মীঃয়কা*
*লেঃনী ইয়্‌য়ীম্ তৃঃয়কা*

**ভাৰাৰ্থঃ**

তিনি আলিত নৰ'বা, মদ কিনি নাখাবা
সতিনীৰ ৰূপত বিয়াত বহিব নিবিচাৰিবা
কাৰোবাৰ কেঁচা তেজ নাখাবা।[২৯]

---

২৯। সংবাদদাতা ঃ কৰ্দিং সৰ্ব্বেশ্বৰ, জোনাই।

অসমৰ নদীৰ বুকুত ইষ্ট ইণ্ডিয়া কোম্পানীৰ জাহাজবোৰ চলিবলৈ লোৱা কাৰ্যয়ো অসমীয়া জনজীৱনত প্ৰভাৱ পেলালে। তাৰে চাপ জনমানসতো পৰিছে। সেয়ে দিখৌ নদীত গুম্‌গুমনি তোলা কোম্পানীৰ জাহাজৰ মাতৰ সৈতে বিহুৰ জলপান খুন্দা ঢেঁকী থোৰাৰ গুম্‌গুমনি, কোম্পানী আমোলত চহৰত পঢ়িবলৈ যোৱা প্ৰিয়জনৰ বাতৰি জানিবলৈ প্ৰেয়সী অধীৰ অপেক্ষাত থকা, ডেকা-গাভৰুৰ মন-গা ছাটিফুটি কৰা বুকুৰ ধম্‌ধমনিৰ শব্দ একাকাৰ হৈ পৰে। তাৰে আভাস বিহুগীত আৰু অই নিঃতমবোৰত পোৱা যায়।

**বিহুগীত ঃ**

*দিখৌত গুমেগুমাই কোম্পানীৰ জাহাজ*
*ঢেঁকীত গুমেগুমাই থোৰা;*
*গাতে জুই জ্বলিছে সৰিয়হ ফুটিছে*
*ধনক দেখিবৰে পৰা।*

**অই নিঃতম ঃ**

১। *চাংগাব্‌প কঃচাঃদু কুম্পানি জাঃজৌ*
*মঃপৃচীম ৰৌঙুগ্‌মলা;*
*কঙাঃতেই কঙাঃতেই কলিকতা জাঃজ্‌দী*
*অইয়ৌঙকী দঃয়ৃংক’ তাত্‌প।*

**ভাৱাৰ্থ ঃ**

উজায়ে আহিলে কোম্পানীৰ জাহাজ ঐ পৃথিৱী তলে বলাই
চপাইদে চপাই দে কলিকতাৰ জাহাজ ঐ চেনাইৰ বাতৰি লওঁ।

**বিহুগীত ঃ**

২। *হলউড চাহাবটি কাপ্টান বাবুটি*
*ৰঙাগড়া বাগিচাৰ কুলি;*
*নিৰ্দোষী ছোৱালী নামকাটি খেদালে*
*বাঁজীপাত চিঙিলে বুলি।*

**অই নিঃতম ঃ**

*আচি গুলা মনীদী কোম্পানী জাহাজী*

*আচিন গুলা মনীদী নাঃঞিও কাঃকৃক্ অমীদী।*

**ভাৰাৰ্থ ঃ**

কোম্পানী জাহাজে পানী ঘোলা কৰি দিয়াৰ দৰে

তুমিও চেনাই মোৰ দেহা মন ঘোলা কৰি দিলা।[৩০]

বাৰিষাৰ বতৰত মাহৰ পিছত মাহ ধৰি মাহ ধৰি গাঁৰৰ আলিবাটবোৰ বোকাময় হৈ পৰে; দিনৰ পিছত দিন ধৰি চলা লেথাৰি নিছিগা বৰষুণে জীৱনটো বিবৰ্ণ আৰু বিষাদ কৰি তোলে। এই গোটেইবোৰেই সঁচা কথা; কিন্তু তাতোকৈ বেছি সঁচা কথা হ'ল যে বেছিভাগ সময়তে মেঘ আৰু বৰষুণে বিচিত্ৰ ধ্বনি, বৰ্ণ আৰু চিত্ৰৰ সমাহাৰ ঘটাই পৃথিৱীখনক এনে এক মায়াময় ৰূপ দিয়ে যে সেইখন জগতৰ অনিৰ্বচনীয় সৌন্দৰ্যৰ তুলনাত বাকী আন সকলো কথা তুচ্ছ হৈ পৰে। কেতিয়াবা আকাশত ক'লা মেঘবোৰে গোনা ম'হৰ পালৰ দৰে ইফালৰ পৰা সিফাললৈ ঢপলিয়াই ঘূৰি ফুৰে। মুষলধাৰে নামি অহা বৰষুণে দিগন্ত বাষ্পাকুল কৰি মনটোক 'সুদূৰৰ পিয়াসী' কৰি তোলে। সেউজীয়া ধাননিৰ ওপৰত ডাৱৰীয়া আকাশৰ ছাঁ পৰি চৌদিশে এক কোমল কাৰুণ্য সঞ্চাৰিত কৰি দিয়ে। নৈ, পুখুৰী আৰু পথাৰৰ পানীত মেঘে ঢকা আকাশৰ প্ৰতিবিম্ব পৰি এখন ৰহস্যময় মায়াপুৰীৰ সৃষ্টি হয়। জিৰ জিৰকৈপৰি থকা বৰষুণে নৈ আৰু হোলাৰ পানীত অসংখ্য সৰু সৰু ঢৌৰ সৃষ্টি কৰে, মাছে কমাই থকা যেন লাগে। মাজৰাতি মেঘৰ প্ৰকাণ্ড গাজনি শুনি খক্‌মক্‌কৈ সাৰপাই যোৱাৰ লগে লগে কাণত পৰে ঘৰৰ চালত বৰষুণৰ অবিৰাম ঝম্‌ঝম শব্দ। হঠাৎ মনটো উদাস হৈ পৰে, অপ্ৰাপনীয় কিবা এটা পাবলৈ মনটোৱে হাহাকাৰ কৰি উঠে। মনটো দোলায়িত হয়। স্বপ্ন আৰু স্মৃতিৰ মাজত। চহা কবিৰ মনত চিত্ৰকল্প প্ৰকাশ পায়।

**অই নিঃতম ঃ**

(১) *'দৃই পৌদং অদুঃনী*

*দঃমৃৰ্ য়াৰিঃ আৰ্‌দুঃনী*

*ৰঙ্‌কিয়ই ৰঙাদ্‌লা*

*নম্‌মী আচিন অদুঃনী।'*

---

৩০। সংবাদদাতা ঃ পেগু, পবিত্ৰ, ডিব্ৰুগড়।

**ভাৱাৰ্থঃ**

গ্ৰীষ্মৰ বৰষুণ পৰিছে, বিজুলী গাজনি মাৰিছে
এনে সময়ত অতি আকুলতাৰে, তোমাক মনত পৰিছে।

(২) *'দৃই পৌদং অদুংকু*
*আবুংল্ আচ্চৌ তৌদুংকু*
*নম্মৌ ৰ্কুচু কুমাংলা*
*আচিন আইপৌ অদুংকু।'*

**ভাৱাৰ্থঃ**

গ্ৰীষ্মৰ বৰষুণজাক আহিল, নদীত পানী উপচি পৰিল
তোমাক বহুত দিন নেদেখাৰ বাবে বৰকৈ মনত পৰিছে।

(৩) *'আবুংল আচ্চৌ তৌদুংকু*
*অঙ ঙপুম্ চাংদুংকু*
*নীয়য়ৗ নৗঙান্ ঙান্দুংকু*
*গেনৗ ৰ্ব্দুগ্ আংদুংকু।*

**ভাৱাৰ্থঃ**

নদীত পানী বাঢ়িলে, উজানৰ মাছ আহিছে
গছে বনে কুঁহিপাত মেলিছে, সেউজীয়া দিনবোৰ আহিছে।

**বিহুগীতঃ**

*নদী বাঢ়িলে অ'*
*উজান উঠিছে অ'*
*গছে বনে ফুলে পাতে*
*বিহু আহিলে অ'।*[৩১]

বিহুগীত আৰু অই নিঃতমৰ প্ৰধান উৎস হৈছে প্ৰেম। জন্ম, বিবাহ আৰু মৃত্যু মানুহৰ নিয়ন্ত্ৰণহীন; আনকি ভগৱানৰো হস্তক্ষেপ ইয়াত নাখাটে। পোৱাৰ আনন্দতকৈয়ো নোপোৱাৰ বেদনাই

৩১। সংবাদদাতা ঃ পেগু, গণেশ, গোগামুখ।

প্ৰেমৰ উদ্দীপক। মিলন বা বিবাহৰ যোগেদি প্ৰেমে পৰিপূৰ্ণতা লাভ কৰে। কিন্তু মিলনৰ পৰিপূৰ্ণতাত চহা কবিৰ ভাবৰ উদ্দীপনা হেৰাই যায়। ৰোমাণ্টিক কবিসকলে প্ৰেমৰ অপূৰ্ণতাকেই কবিতাৰ প্ৰেৰণাৰ উৎস হিচাপে গ্ৰহণ কৰাৰ দৰে চহা গাঁৱলীয়া এই অই নিঃতম আৰু বিহুগীতৰ গায়ক কবিসকলেও অপূৰ্ণ প্ৰেম বা প্ৰেম পূৰ্বক আশা, নিৰাশা, ৰাগ, অনুৰাগ, আলম্বন, বিলম্বন ইত্যাদিকেই প্ৰেৰণাৰ উৎস হিচাপে গণ্য কৰে।

অই নিঃতম আৰু বিহুগীত সাধাৰণতে প্ৰিয়তমাই প্ৰিয়তমক কেন্দ্ৰ কৰি বা উদ্দেশ্য কৰি গোৱা গীত। বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ স্বাভাৱিকতে দৈহিক সৌন্দৰ্যৰ দৰ্শনৰ পৰা ব্যক্তিৰ মনত ক্ৰিয়া কৰে। ডেকা গাভৰুৱে যৌৱন কালত পৰস্পৰে পৰস্পৰৰ ৰূপ লাৱণ্যত ভোল যায়। প্ৰতিজন ব্যক্তিৰ সৌন্দৰ্যবোধ বেলেগ বেলেগ তাড়না, আকাংক্ষা, ভালপোৱা ভিন্ন ভিন্ন। কাৰোবাৰ বাবে শকত-আৱত, গাৰ বগা ৰঙৰ প্ৰতি দুৰ্বলতা, আন কাৰোবাৰ আকৌ ক'লা, মাগুৰ বৰণীয়া, খীণ ছোৱালীৰ প্ৰতি বিশেষ টান। নিজৰ নিজৰ ৰুচিবোধ অনুযায়ী, ব্যক্তি আকৰ্ষিত হয় আৰু বিপৰীত লিংগৰ অঙ্গৰাগ, ৰূপ লাৱণ্য অনুযায়ী প্ৰেমিক প্ৰেমিকাই প্ৰেম নিবেদন কৰে। ভালপোৱাজন-জনীৰ এনে ব্যক্তিত্বৰ প্ৰশংসা কৰি অই নিঃতম আৰু বিহুগীতৰ ভাষাত প্ৰকাশ কৰে।

**বিহুগীতঃ**

১। *আঁহতে সলালে পাত;*
*আমাৰ মইনাই বৰণটি সলালে*
*ল'লে ৰঙা ৰিহা গাত।*

২। *কেঁহুকলি নিকলী কপাহ সূতা মুকলি*
*ঠেঁহ পাতি নেখালি ভাত;*
*এপুৰা সেন্দুৰৰ জোৰ ফোট মাৰিলি*
*ল'লি ৰঙা ৰিহা গাত।*

৩। *হাতৰ লাহৰে খাৰুযোৰ পিন্ধিলা*
*ভৰিৰ লাহৰে পৰি;*
*গলধনত পেলাই খোপাটি বান্ধিলা*
*এহাত এমুঠন কৰি।*

৪। *ফুলনি বাৰীতে আছিলো আইটী*

*ইপাহি সিপাহি লেখি;*

*বাটৰ বাটৰুৱাই কৰে হৰি হৰি*

*ফুলৰ জক্‌মক্ দেখি।*

৫। *ই বোলে মইনা সি বোলে মইনা*

*মই বোলো বুকুৰে সোণ;*

*মইনাৰ ফাললৈ চাবকে নোৱাৰি*

*যেন পূৰ্ণিমাৰে জোন।*

৬। *নৈৰে শুৱনি গঙাকৈ চিলনী*

*পৰ্বতৰ শুৱনি মিৰি;*

*ডেকাৰে শুৱনি ভৰিৰ কলাফুল*

*গাঁৱৰে শুৱনি তিৰী।*

৭। *ৰঙাকৈ গামোচা মাজে শেল দিয়া*

*তুমি তামোল কাটি খোৱা;*

*লাহৰী হাতেৰে থুৰিয়াই থুৰিয়াই*

*আমাকো এখনি দিয়া।*

৮। *দেহি ঐ লাহী দেহি ঐ চেনাইটি*

*কোনে চাই থাকিব পাৰে;*

*সোণতে সুৰগা কঁকালত মেখেলা*

*দেখি মনে প্ৰাণ হৰে।*[৩২]

**অই নিঃতম ঃ**

১। *আঃমই গাদ্‌য়ুমা*

*মুতিয়ই তুঃয়ুমা*

*আংকীঃ লক্‌নী আচিদ’*

*দাগ্‌য়ুমই কাঃয়ুমা।*

৩২। সংবাদদাতা ঃ চমুৱা, সৰু, বান্তৌগাওঁ।

**ভাৱাৰ্থঃ**

দাৱনী ধুনীয়া মোৰে ধন লাহৰী, তোমাৰ চকুত লগা মুঠি
এবুকু বাৰিষাত/পানী, তোমাৰ চকুত লগা দেহা।

২। *দঃঞিৱৃ চাঃদুঃনী*
*লৃঃজিগই লৃঃজিগ্‌লা*
*মীঃনাম অই বৃ লেন্‌দুঃনী*
*গীজুবই গীকাব্‌লা।*

**ভাৱাৰ্থঃ**

বেলিটি ওলাইছে, অতি ৰঙচুৱা হৈ
চেনাইধন ওলাইছে, সাজি-কাচি গাভৰু হৈ।

৩। *আঁদ্‌দৃক অইয়া কাংকান দপ্‌*
*কাপিন্‌ ৰুঃনীব্‌ ৰুঃতনী*
*কাঃলা কাঃন' নমাঃপ্‌*
*কাপিন্‌ চীওৰীম্‌ মতনী।*

**ভাৱাৰ্থঃ**

ইমানকে ৰূপহী হৈ, কিয়নো বিধাতাই স্ৰজন কৰিলে
চাই হেঁপাহ নপলোৱাকৈ, কি যে চেও ধৰে।

৪। *ঙক্‌কী আচিন্‌ আমঃচ'*
*নওৰী পুন্‌নী আপ্‌পুনী*
*ঙক্‌কী আচিন্‌ দঃমৃৰ্চ'*
*নওৰী কাব্‌নী তাকাৰী।*

**ভাৱাৰ্থঃ**

মোৰ মনৰ ফুলনিত তুমি ফুলি থকা ফুল
মোৰ মন আকাশত তুমি তৰা ফুল।

৫।  *অইনক্ য়ৰ্লা কাঃনাম্দী*

*য়াৰি আৰ্পী আৰ্দাগ্*

*অই নক্ আগম্ গমুগ্দী*

*দঃমৃৰ্ মৃৰপী মৃৰ্দাগ্।*

**ভাৱাৰ্থঃ**

মৰমী তোমাৰ হাঁহি ভৰা চাৱনি বিজুলীৰ চমকনি

মৰমী তোমাৰ মাতষাৰ গাজনি গাজনীৰ শব্দ।

৬।  *অই নম্ অনী আনীদী কাপিন্ অইয়া অনীকাঃন*

*অনামীম্পী ইমাঃচঃল মনামীম্পী ইদাক্চঃল।*

**ভাৱাৰ্থঃ**

তোমাক জনম দিয়া মাকজনী কেনেকুৱা আছিল,

তোমাক যে জনম দিয়া যেন নালাগে, হাতেৰে গঢ়া যেন লাগে।[৩৩]

বিহুগীতত উল্লিখিত ৰীতি-নীতিবোৰ কৃষিজীৱি সমাজখনৰ ধ্যান-ধাৰণাৰ প্ৰকাশ। এটা নতুন কৃষি বৰ্ষৰ শুভ আৰম্ভণিৰ লগত জড়িত মাংগলিক ভাবনা বিহুৰ লোক পৰম্পৰা সমূহৰ মাজত লুকাই আছে। গছে পাত সলোৱাৰ দৰে নতুন বস্ত্ৰ বিহুৱান পৰিধান, জেষ্ঠ জনাক সেৱা কৰা, কনিষ্টজনক আশীৰ্বাদ কৰা, পিঠা-গনা, লাডু-সান্দহ, দৈ-গুৰ আদি সম্ভাৰ বিহুৰ সময়ত বিশেষ ভাৱে প্ৰস্তুত কৰা হয়।

বিহুগীত চহা জীৱনৰ আনন্দ প্ৰকাশৰ মাধ্যম। ব্যক্তিমনত উদয় হোৱা ভাৱনা, অনুভূতিৰ লহৰব্োৰ বিহুগীত আৰু এই নিঃতমৰ ভাষাৰে জাতি কাৰ হৈ কণ্ঠেৰে নিগৰি আহে। বিহু গীত সমূহ অসমীয়াৰ অতি আদৰৰ। ই অসমীয়া জন-জীৱনৰ প্ৰাণ, অসমৰ মান।

*বিহুটি আদৰৰ  বিহুটি সাদৰৰ*

*বিহুটি অসমৰ প্ৰাণ*

*এনুৱা বিহুটি  এৰিব লাগিলে*

*নাথাকে অসমৰ মান।*

৩৩। সংবাদদাত্ৰী ঃ মিলি, বড়ি, তৰাৱতী, জোনাই।

ব’হাগ বিহু কেৱল আনন্দৰ উৎসৱ নহয়। বাৰে বৰণীয়া জাতি-জনগোষ্ঠীয়ে একতাৰ ভোলেৰে বান্ধ খাই গঢ় লোৱা অসমীয়া জাতিৰ সমন্বয়ৰো প্ৰতীক। বিশাল বৰ-লুইতে যিদৰে নানা নদী-উপনদী সুতি-উপসুতিৰ সমন্বয়ত গভীৰতা লাভ কৰিছে, সেইদৰে অসমীয়া জাতিয়েও নানা জাতি-উপজাতিৰ সংমিশ্ৰণত বৈচিত্ৰময় ৰূপ লাভ কৰিছে। সেই কথা বিহু নামেই ৰিঙিয়াই কৈছে—

*দিখৌ দিচাং ধনশিৰি বহু নদী লগ লাগি*
*বৈছেনো ব্ৰহ্মপুত্ৰ মহা নদী নাচনী*
*মিৰি আহোম মছাৰী নানা জাতি লগ লাগি*
*হৈছেনো অসমীয়া মহাজাতি নাচনী।*

ব’হাগ বিহুত জেষ্ঠজনৰ সেৱা কৰি, আৰ্শীবাদ লোৱা, হুচঁৰিত ৰাইজৰ পৰা গৃহস্থই আৰ্শীবাদ লোৱা কাৰ্য গুৰুত্বপূৰ্ণ। গৰু বিহুৰ দিনা লোৱা আৰ্শীবাদ যেন মানুহক আগন্তুক বৰ্ষটিলৈ কুশলে ৰখাৰ উপৰিও বৈকুণ্ঠত স্থান পোৱাতো সহায় কৰে। সেই বিশ্বাস বিহুনামে এইদৰে প্ৰকাশ কৰিছে।

**বিহুগীত ঃ**

(১) *চ’তত চাকৰী ব’হাগত বগৰী*
*জেঠতে অমনা ধান*
*গৰু বিহুৰ দিনা লবি আৰ্শীবাদ*
*তেহে পাবি বৈকুণ্ঠত মান।*
*আকৌ বিহু বিহু বিহুটি*

(২) *বিহু আমাৰ তিনিটি*
*কাতি বিহু ৰঙালী*
*মাঘৰ বিহু ভোগালী*
*ব’হাগতে ধেমালি কঁৰো।*

বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা ছন্দে ছন্দে গীতে গীতে ফুটি ওলাইছে। প্ৰকৃতিৰ পৰশত, সময়ৰ বলুনিত আনন্দ-মুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি

প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন ৰাই-জাই কৰো গা-নাচি উঠে। সেয়েহে ধোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়। নাচনী নহ'লে বিহু নপকে; নাচনীয়ে পখিলা উৰাদি উৰিবই লাগিব।

**বিহুগীত ঃ**

(১) *নৈৰ পাৰে পাৰে          নলৰে গজালি*

*তাতে ক'লা গৰু চৰে*

*নাচনীৰ মূৰতে          গুটি ফুলৰ গামোচা*

*পখিলা উৰাদি উৰে।*

(২) *'বাৰীৰে ঢাপৰে          কজলা উৰহী*

*পাতে তিৰেবিৰে কৰে*

*নাচনীৰ মুখলৈ          চাবকে নোৱাৰি*

*চকু ছাটে মাৰি ধৰে।*

(৩) *ক'লা চোলা কৰুতা          গুদাম আছে চাৰিটা*

*চাৰিকো চাৰিয়ে চৰে*

*নাচনীৰ চকুলৈ          চাবকে নোৱাৰি*

*জলুক জলকীয়াই পোৰে।*

(৪) *ঢোল বাই ঢুলীয়া          খোল বাই খুলীয়া*

*কাৰ ঘৰৰ নাচনী নাচে*

*ওচৰ চাপি চাপি          নাহিবা নাচনী*

*তোমাৰ গাত মোহিনী আছে।*[৩৪]

অই নিঃতমতো কৃষিজীবি মিচিং জনজীৱনৰ জীৱন্ত ৰেহ-ৰূপ দেখিবলৈ পাওঁ। মিচিং সকলে যেতিয়া পোন প্ৰথমে আৰৃগ ইনাম্ (খেতি কৰা) ক'লা আহৰণ কৰিলে আৰু আৰৃগ (খেতিৰ) উপযোগী আমং (মাটি) বিচাৰি নৈ কাষৰীয়া অঞ্চল সমূহত বাস কৰিবলৈ ল'লে।

৩৪। সংবাদদাতা ঃ বৰা, পদ্মেশ্বৰ, বান্তৌগাওঁ।

আলি আঃয়ে লৃগাং মিচিং সমাজৰ এটা প্ৰধান উৎসৱ। দংগ্ৰিও পঃল (বেলি-জোন) উপসক মিচিং সমাজে জন্ম দাত্ৰী বসুমতী আইতো সদায় শিৰত লয়। যিয়ে মানুহক, জীৱিকাৰ কাৰণে এমুঠি অন্নৰ যোগান ধৰে তেওঁৰে আমাৰ আই পৃথিৱী তেওঁ চিৰসত্য। এয়া লৃগাঙৰ প্ৰাথমিক উদ্দেশ্য। বসন্ত ঋতুৰ আগমনত যেন গোটেই পৃথিৱীতে এক সজীৱতা দেখা দিয়ে। সেই কাৰণে মিচিং সমাজৰ এই উৎসৱটো ফাগুন মাহৰ প্ৰথম বুধবাৰত পাতে।

আলি আঃয়ে লৃগাঙৰ অৰ্থ হ'ল শস্য সিঁচাৰ প্ৰথম দিন বা কঠীয়া সিঁচাৰ দিন। আগন্তক বছৰৰ বাবে আজিয়ে প্ৰথম শস্য আই বসুমতীত সঁচিব। মাটিৰ বুকুত থাকি সেই শস্য যাতে নষ্ট নহয় আৰু সেই শস্যক পোক-পৰুৱা, বণৰীয়া জীৱ-জন্তু আৰু প্ৰাকৃতিক দুৰ্যোগে যাতে অনিষ্ট নকৰে, তাৰ কাৰণে মাতৃ-ধাত্ৰী আৰু পূৰ্ব পুৰুষসকলৰ ওচৰত প্ৰণতি জনাবলৈ পতা উৎসৱ।

**অই নিঃতম ঃ**

(১) *দীওৰাই আতৃনা গৃলাংন আলি-আঃয়ে লৃগাঃদ;*[১]
*দীওৰাই আতৃনা আচিন দঃয়িং কৃলাঃপী পঃল ললাদ্‌দ।*

**ভাৱাৰ্থ ঃ**

অ মোৰ সোনাই, আলি আঃয়ে লৃগাঙত আহিবা
অ মোৰ সোনাই, মনৰ কথা পাতিম জোনাক নিশাত

(২) *মীঃব নম্ কাঃতপী লৃগাঙই চঃমান্ দ*
*মৃম্‌বৃৰ্ য়াঃমেঃ পংকক্‌দ বীৰ্‌য়িদইয়া বীৰ্‌কদ্‌লা*
*নক্‌কী আমিগ্ কাঃনাম্ দী, নক্‌কী নাপ্‌পাং য়িৰ্‌নাম্‌দী*
*ঙক্‌কী আচিন্ মীঃনাম দীম্ আইয়া লুবি দাগ্‌বঃনী।*

**ভাৱাৰ্থ ঃ**

তোমাক লৃগাং বিহুত ডেকা গাভৰু দলৰ মাজত আনন্দেৰে ইফালে সিফালে কৰি ফুৰা চাবলৈ ইচ্ছা কঁৰো, তোমাৰ মুখৰ হাঁহিত যেন মনে ভবা কথাবোৰ প্ৰকাশ পায়

(৩) *নীয়য়ী নীঙান ঙানদুঃবং*
*চিঙ্‌গি আপ্লুন্ পুনদুঃবং*
*অই নম্ ৰংকিঃ ৰঙাদ্‌লা*
*নম্‌মী আচিন্ অদুঃবং*

**ভাৱাৰ্থঃ**

*গছে বনে ন-কুঁহিপাত মেলিছে, শিমলু ফুল ফুলিব ধৰিছে*

*আৰু চেনাই ধন তোমালৈয়ো, বৰকৈ মনত পৰিছে।*

(৪) *কাজৌ অইয়া গৃকাবই*

*গুম্‌ৰাদ মাক্‌চং চংক'ল*

*অই নিংতম্ গমুক্‌কি*

*আচিন দঃ য়িং কৃক'ল।*

**ভাৱাৰ্থঃ**

বলা যাওঁ চেনাই, গুম্‌ৰাগ নাচ নাচোগৈ, অই নিংতমৰ ভাষাৰে

মনৰ গোপান কথাবোৰ বিনিময় কৰোহঁক।[৩৫]

অসমৰ মুঠ জনসংখ্যাৰ অধিকাংশ লোকেই খেতিয়ক। দৈনন্দিন পথাৰৰ লগত সংস্পৰ্শ ৰখা চহা খেতিয়ক সকলে দুখ-সুখ, আনন্দ-উল্লাহ, ঘাত-প্ৰতিঘাত মাজেদি জীৱন নিৰ্বাহ কৰি আহিছে। গতিকে খেতিয়কসকলৰ মনত আৰু প্ৰতিটো ভাৱনাত পথাৰৰ আৱেগিক প্ৰতিচ্ছৱি চহা গীত-মাতবোৰতো প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ বিহুগীতবোৰত তেনে পৰিৱেশৰ বৰ্ণনা আছে।

**বিহুগীতঃ**

(১) *দকৈ পথাৰত ধান দাই আছিলোঁ*

*ঘিলা চালীয়া মুঠি*

*সকলোকে দেখো লাহৰিক নেদেখোঁ*

*ঢাপৰে ওপৰত উঠি।*

(২) *দলনি পথাৰত খেতি কৰিছিলো*

*ভঁৰাল ভাঙি খালে চোৰে*

*তোমাৰ সন্তাপত টোপনি নধৰে*

*জালুক জলকীয়া পোৰে।*[৩৬]

---

৩৫। সংবাদদাত্ৰী ঃ কামান দলে, কুঞ্জলতা, বিলমুখ।

৩৬। গগৈ, লীলা ঃ বিহুগীত আৰু বনঘোষা, পৃ. ২০১, ২০৫।

মিচিং সকলৰ জীৱন ধাৰণৰ প্ৰধান আহিলা খেতিক বাদ দি বেলেগ চিন্তা কৰিব নোৱাৰি। খেতি হৈছে মিচিংসকলৰ প্ৰাণ আৰু পথাৰ হৈছে জীয়াই থকাৰ আধাৰ বা আহিলা। কামৰ মাজতে জীৱনৰ অলীক কল্পনাবোৰ অনুভূত হয়। গতিকে পথাৰ, খেতি, সংস্কৃতি সকলোবোৰ একাকাৰ কৰি মিচিং খেতিয়কে অই নিঃতম ৰচনা কৰে।

(১) *মী পাগ্নাম্মী ৰ্গাঃদ অক' অ্ঃঙী চাঃমাঃনী*

*মীঃজ্ঃচুমাঃন্ অইয়েৰ্ অক' আগম্ লুমাঃনী*

**ভাৱাৰ্থঃ**

খেতি কৰি এৰা পথাৰত কি বন নগজে

কোমল মতিয়া চেনাইয়ে কি কথানো নকয়

(২) *আৰ্গ্ ৰ্চু তমাঃনী অকুম্ কুম্ৰ্ঃ তমাঃলী*

*আচিনাঙী অদাগ্গম্ গ্লা কাঃলা তমাঃনী*

**ভাৱাৰ্থঃ**

পথাৰখনো ওচৰত নহ'ল, ঘৰখনো ওচৰত নহ'ল

মনত পৰিলেও গৈ তোমাক চাবলৈ।

শস্য শ্যামলা অসম দেশৰ মানুহে মাটিক মাতৃ আৰু খেতিক পিতৃৰূপে বিশ্বাস কৰি আহিছে। খেতি নহ'লে অস্তিত্ব বিহীন বুলি গণ্য কৰে। সেয়ে কয় 'যাৰ নাই ধান তাৰ নাই মান।' খেতি আৰু খেতিয়কৰ সম্পৰ্ক অতি দৃঢ়। অসমত হোৱা খেতিৰ ভিতৰত আহু, শালি, বাও, সৰিয়হ, মাহ, মৰাপাত আদিয়েই প্ৰধান। এই খেতিৰ শস্যবোৰক লৈও অনেক বিহুগীত আছে।

(১) *এইবেলি আহুধান পানীয়ে মাৰিলে*

*ওপৰে গজিলে মামি*

*উৰণীয়া চৰায়ে পীৰিতি কৰিলে*

*তাৰো চৰায়ে নহলো আমি।*

(২) *বকুল বৰ ধানৰ আখৈ ভাজিছিলো*

*ম'হৰে বকলা দৈ*

*তুমি যে নহ'লে খাবলৈ নোৱাৰোঁ*

*থাকো মই আগতে লৈ।*

মিচিং সকলৰ জীৱন ধাৰণৰ প্ৰধান আহিলা হৈছে খেতি। পৰম্পৰাগত কিছুমান ৰীতি-নীতি। পূজা-পাবৰ্ণৰ বাবে মিচিং সকলে চাউলৰ পৰা এবিধ মদ জাতীয় পানীয় প্ৰস্তুত কৰিব লাগে। ইয়াৰ কাৰণে যথেষ্ট ধান চাউল মজুত ৰাখিব লাগে। সেই বাবেও মিচিং খেতিয়কে অধিক পৰিশ্ৰম কৰিব লগা হয়। সেইবোৰকলৈ মিচিং স্বভাৱ শিল্পীয়ে গীত ৰচনা কৰে।

**অই নিঃতম ঃ**

(১) *আম্‌ৰ আৰৃগ্ ইতাগাই আচ্‌চৗ বিদ্‌য়ুদ্ বম্‌কাঃবং*

*অইনম্ আইপৗ মৗঃতুঙা আন্মে য়াদ্‌পাক্ বম্‌কাঃবং।*

**ভাৱাৰ্থ ঃ**

আহু খেতি কৰিছিলো, পানীয়ে উটুৱাই নিলে

তোমাকে মই ভাল পাইছিলো, আনে ফুচুলাই নিলে।

(২) *দৃইয়ৗ আংকিৰ্ দৃল্‌গৃলা, দৃগ্‌ন চৃকৃৰ জিন্‌লৃগৃলা*

*আঃম আৰৃগ্ ইগৗঃলা মৗঃমা-চাক্‌মাঃপৗ দপৗবং*

**ভাৱাৰ্থ ঃ**

জহ কালি কপোঁৱা জাতৰ মাহ খেতি কৰিছো

নিচিন্তভাৱে গাম বুলি।

(৩) *অইয়া ঙিঃদ এচলিয়া তঙিঃদ*

*মঃদ চিকাৰ মপীয়ৗ পৗত্‌তাঔম মৗন্‌পীয়া*

**ভাৱাৰ্থ ঃ**

চেনাই, এছলিয়া টঙি ঘৰটোত থাকি দূৰৈত

চিকাৰ কৰিবলৈ যাওঁতে চৰাইকে খেদিম।

(৪) *অইনম্ আজন্ জন্‌ক আৰৃগ্‌দক্ তঙিঃদৗম*

*য়ুম্‌ৰাং অই দুবৰি পাৰতিদ্ অই তকুবং*

**ভাৱাৰ্থ ঃ**

তোমাক লগ পোৱা পথাৰৰ টঙি ঘৰটো আজি পথাৰৰ্ ঘাঁহ বনে

আবৰি ধৰিলে।

(৫) *পীতু পেঃৰেদ্ কগেঃলা আঃম কুমচুং লাংগেঃলা*

*দনচিৰিঃ দলঃবীম চন্‌কাপৌ গৃলাঃজী*

**ভাৱাৰ্থঃ**

মাহ সৰিয়হ বিক্ৰী কৰি ভঁৰাল ভৰাই ধান চপাই লৈ, আহা আমি ধনশিৰি দলংখন বগাই আনন্দ লওঁগৈ।

(৬) ৰুগ্‌দুম্ আৰুগ্ ৰুচন্দ চুঃপাগ আৰুগ্ ইবিপী

*ইগৃন্ গীলা পুয়ৌকী গাদু অন্‌নম্ ময়ৌপী।*

**ভাৱাৰ্থঃ**

পথাৰৰ উত্তৰ সীমাত কপাহৰ খেতি কৰি দিম যেতিয়া কপাহ হ'ব তেতিয়া তুমি পিঠিত হোৰা লৈ কপাহ তুলি মিৰিজীম বৈ দিবৰ কাৰণে সূতা কাটিম।

(৭) *মঃদ মঃদ ৰুচন্দ ৰিঃবি গাচৌং চুম্‌য়ৌপী*

*আলি আঃয়ে লৃগাং পঃৰাগ্‌দ গীলেন্ বম্‌লেন্ য়ৌপী*

**ভাৱাৰ্থঃ**

কামৰ মাজে মাজে সময় উলিয়াই ৰিঃবি গাচেং লৈ আৰু আলিঃ আয়ে লৃগাং আৰু পঃৰাগ্ উৎসৱত মোৰ আগত পিন্ধি ওলাবা।[৩৭]

যৌৱন প্ৰেমৰ লগত আহে সীমাহীন উৎকণ্ঠা, আৱেগ, ভালপোৱাৰ অনুভূতি আৰু তাৰ লগে লগে কেতিয়াবা বিৰহ, বেদনা। এনে বৈচিত্ৰ্যময় অনুভূতি মূৰ্ত্ত প্ৰকাশ হ'ল বিহুগীত আৰু অই নিঃতমবোৰ। যৌৱন কাল অনুৰণিত প্ৰেমৰ ভিন্নৰূপী ৰং, ৰূপ, ঘটনা, পৰিঘটনাই অতি আকৰ্ষণীয় আৰু অৰ্থবশঃ ৰূপত এইবোৰ গীতত প্ৰকাশ পায়।

প্ৰেয়সীৰ চিন্তাত খোৱা-লোৱা সকলো এলাগী হৈ পৰে। যাওঁতে আহঁতে, উঠোতে বহুতে কেৱল প্ৰিয়জনৰ কথা চিন্তা কৰে আৰু প্ৰিয়জনৰ কথা ভাবি থাকোতে এটা সময়ত মানসিক ৰোগীৰ দৰে আচৰণ কৰে, আনকি ভাত খোৱা কাহিত গাধোৱা নদীৰ পানীত প্ৰিয়জনৰ মুখখনি দেখা পাবলৈ ধৰে। কেতিয়াবা মৰমীজনৰ থকা ঠাই বহু নিলগত, মন গলেই যাব নোৱাৰে। ফলত বিৰহ

৩৭। সংবাদদাত্ৰী ঃ কুটুম, তৰুলতা, গুৱাহাটী।

বেদনাত উচুপি কান্দি থকাৰ বাবে কোনো উপায় নাথাকে। আকৌ কেতিয়াবা বিৰহ সহ্য কৰিব নোৱাৰি সকালো বান্ধোন ছিঙি, বাধাৰ প্ৰাচীৰ ভাঙি আপোনজনৰ ওচৰত উপস্থিত হোৱাৰ ইচ্ছা জাগে। মনৰ এনে স্বতঃস্ফুৰ্ত ভিন্নৰূপী ভাৱ চহা কবি সকলে বিহুগীত আৰু অই নিঃতমৰ মাধ্যমত প্ৰকাশ কৰে।

**বিহুগীত ঃ**

১। *আজিও খোৱা নাই ভাতে ঐ লাহৰী*
*কালিও খোৱা নাই ভাত*
*তোমাৰে চিন্তাত বহী গা ধোৱা নাই*
*পেটলৈ যোৱা নাই ভাত।*

**অই নিঃতম ঃ**

*আচি তৃঃলৃঙ তকুমাং/আপিন্ দলৃং তকুনাং*
*অইনম্ আয়াঙ বিদ দক্কী/য়ুম্মিঃ দঃমি তকুমাং*

**ভাৱাৰ্থ ঃ**

পানী পিয়াহ নলগা হ'লো/ভাত খবৰো মন নকৰা হ'লো তোমাক
মৰম দিয়াৰে পৰা/ৰাতি টুপনিও নহা হ'ল

**বিহুগীত ঃ**

২। *হাট বাই আনিলোঁ পুঠি খলিহনা*
*খৰিচা টেঙা দি ৰান্ধো*
*খাবৰে সময়ত তোলৈ মনত পৰি*
*উচুপি উচুপি কান্দো।*

**অই নিঃতম ঃ**

*আপিন দ'ক' আৰৗমদ'*
*অইনক্ য়াল্ল' দাগ্লেন্ দাগ্*
*মৃৰ্টা দৃক্কাঙ আমৗগেঃলা*
*মিক্চি তিত্চুল কাব্দঃবং*

**ভাৱাৰ্থ ঃ**

ভাত খোৱা কাঁহিত, তোমাৰ ছবি জিলিকি উঠে

জলকীয়াই পুৰিলে বুলি কৈ, তোমালৈ মনত পৰি উচুপি উচুপি কান্দোঁ।

**বিহুগীত ঃ**

৩। *ঔ কুমলীয়া খাবকে নোৱাৰি*

*তিতিকি তিতিকি লাগে*

*মন কুমলীয়া বুজাব নোৱাৰি*

*উচুপি উচুপি কান্দে।*

**অই নিঃতম ঃ**

*আদিঃ দৌঙকঃলাঃ মাঃলা*

*ৰিনু পৌত্‌তাং কাৰদুবং*

*আইনক্ আচিন জাঃমাঃলা*

*চৃঃচাং আচিন কাৰদুঃবং*

**ভাৱাৰ্থ ঃ**

ওখ পাহাৰ উৰি পাৰ হ'ব নোৱাৰি, ৰিনু চৰাইজাক কান্দিছে তোমাৰ

মনক বুজাব নোৱাৰি, মোৰ যৌৱন কুমলীয়া মনে কান্দিছে।[৩৮]

ফাগুন আহে। ৰঙা শিমলু ফুলে। চৌদিশে আকাশে বতাহে ৰঙা ৰং বিয়পি পৰিছে। মানুহৰ জীৱনলৈয়ো ফাগুন আছে। এই ফাগুণ জীৱনলৈ মাত্ৰ এবাৰ আহে। ফাগুণৰ কসোৱা/কহুৱা তুলাৰ দৰে মন উৰণীয়া হয়। ঘৰতো নবহে পথাৰত নবহে মন। মনত নতুন আশা জাগে, ন-ন সপোনৰে মন প্ৰাণ ভৰি উঠে আৰু ফাগুণৰ বৈচিত্ৰ্যময় ৰঙা ৰঙেৰে ডেকা গাভৰুৰ মন আকাশ ৰঙীন হৈ উঠে, ইয়েই জীৱন। কাৰোবাৰ বাবে ফাগুনৰ জোনাক ভৰা ৰাতিবোৰত ৰৈ থাকে মিলন বাসনা, ভালপোৱাৰ সীমাহীন আকুলতা। প্ৰেমীক প্ৰেমিকাই মায়াময় এই জোনাকত গা-ধুই যৌৱন সাৰ্থকতা বিচাৰি পায় আৰু আন কাৰোবাৰ বাবে এনে আকাংশিত জোনাক ৰাতি অভিশাপলৈ ৰূপান্তৰিত হৈ পৰে।

৩৮। সংবাদদাতা ঃ দলে, ঘনকান্ত, চিলাপথাৰ।

**অই নিঃতম ঃ**

(১) *গৃন্‌মুৰ পঃল আৰাঃদ*

*লৃগাং য়ুমী ললাদ্‌দ*

*অইনক্ লুতীৰ লুনাম্‌দী*

*মুগ্‌লুঁ আপী অআংকাং*

**ভাৰাৰ্থ ঃ**

ফাগুন মাহৰ লৃগাঙৰ সেই জোনাক ৰাতি

তুমি মোক বিদায় দিয়াৰ কথাষাৰীয়ে মোৰ জীৱনলৈ বজ্রপাত পৰাদি পৰিল।

(২) *অইয়া লুতীৰ আগম্ লুপঃয়ম*

*কেঃদিঃ আমৃঙ লেপঃপী*

*অইন লুতীৰ লুদদ*

*অককে চুলা চিনাপী*

**ভাৰাৰ্থ ঃ**

বিচ্ছেদৰ কথা নকবা এতিয়া, আম গছ এজুপি ৰুই লওঁ

তুমি মোক বিদায় দিয়াৰ সময়ত, তাত চিপলৈ মৰিব পৰাকৈ।

(৩) *আন্‌ছুঃন আচাৰ্ তেইকা আঃচৃঃন অচিক্ বিটেইকা*

*ঙক্‌কী গুনী অচিনচীম আন্‌চৃঙী মতেইকা।*

**ভাৰাৰ্থ ঃ**

মৃদু এচাটি বতাহ, চেঁচা পানী বৈ আহক

মোৰ তচাত হৃদয়খনি শাত পৰক।

(৪) *ৰওৃৰী ৰকম্‌পী ৰক্‌ন পৰগ্ কগ্‌দুঃনী*

*আতীৰই কঃনীঃৰ্ চাগ্‌গৃলা কাব্‌দুঃনী।*

**ভাৰাৰ্থ ঃ**

পুৱতি নিশাত বুকুৰাই ডাক দিছে

তোমাৰ বিৰহত অকশৰীয়া মৌৱনে বিনাইছে।

(৫) *অকল্ অইয়া দুঃয়ৌনী অকল্ অইয়া দাগ্য়ৌনী*

*আচিন্ অইয়া আগম্চৌৰ্ চৌঃকম্ লুবি চুয়ৌ।*

**ভাৱাৰ্থঃ**

ক'ত ৰও, কলৈ যাওঁ

মনৰ ভাববোৰ কাৰ আগত কওঁ।

(৬) *চৃঃমাং চৃঃমাং ঔম্গেঃলা চৃঃমাং অৃচৃঃদ চৃঃকাঃবং*

*মৌঃমাং মৌঃমাং ঔম্গেঃলা নমমী আচিন্ মৌঃদুঃনী*

**ভাৱাৰ্থঃ**

নবঢ়া যেন হৈ চৃঃমাং গছ জোপা বাঢ়ি গ'ল

তোমাৰে কথা নেভাবো বুলি ভাবিও বহুত গভীৰকৈ ভাবিলো।[৩৯]

**বিহুগীতঃ**

(১) *কি চৰাই কান্দিলে হেটুলুক্ হেটুলুক*

*কনীবোৰ পাৰিলে বনত*

*সূতা কাটিছিলো সাজি কাটিছিলো*

*চেনাইলৈ পৰিলে মনত*

(২) *চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধুই আছিলোঁ*

*ওপৰে উৰিলে টুনি;*

*টুনিৰে লগতে উৰিম যেন লাগিলে*

*ওচৰত নহলা তুমি।*

(৩) *ওপৰে উৰিলে কৰচন কণুৰা*

*তাৰ লগত উৰিলে বগ;*

*মনৰে কথাটি মনতে ঘূৰিলে*

*ক'বলৈ নেপালো লগ।*

---

৩৯। সংবাদদাতা ঃ গাম, একালব্য, ধেমাজী।

(৪) *চৰাই মনোমতী মনকে মুহিলি*

*বোটাহি বেঙেনাৰ তলত*

*কিনো মোহনিৰে আমাৰ মন মুহিলি*

*থাকিব নোৱাৰোঁ ঘৰত।*

(৫) *চৰাইলৈ বুলি ছিটিকা পাতিলোঁ*

*দৰিকলৈ পাতিলোঁ জাঙি;*

*উঘা পকোৱাদি পকাই পকাই সুধিলোঁ*

*পেটৰ কথা নকলা ভাঙি।*

(৬) *নলনিত কান্দিলে হেটুলুকা চৰাইটি*

*হেটুলুক কৰিলে বনত*

*হাতৰ বনে সৰি চিতনি ধৰেহি*

*ধনৰ কথা পৰিলে মনত।*

(৭) *বৈনো বৈ কান্দিলো চাকৈ চকোৱা*

*বৈনো বৈ কান্দিলো জিলি*

*এনেয়ে মৰিছো তোৰে ঐ সন্তাত*

*আহক গা দেখা দি গলি।*[৪০]

বিহুগীত আৰু অই নিঃতমবোৰ দুখ বিষাদ বিৰাগেৰে ভৰা জীৱন আৰু হা-হুতাশৰ মাজত স্বতঃস্ফূৰ্তভাৱে ওলাই অহা এক জনসাহিত্য। প্ৰেম আৰু যৌৱন এটা আনটোৰ পৰিপূৰক শব্দ, অৱস্থা। যৌৱনৰ লগে লগে হৃদয়ত প্ৰেমৰ অনুভূতি জাগে। এজন লৰাই, এজনী ছোৱালীৰ প্ৰতি এক বিশেষ টান অনুভৱ কৰে। জাকৰ মাজৰ পৰা কোনোবা এজনীৰ প্ৰতি আন্তৰিকতা ভাৱ জাগে, ভাল লাগি আহে। দিনে-নিশাই, শয়নে-সপোনে, কামে-কাজে সকলোতে এই ভাৱ হৃদয়ত সৃদৃঢ় হৈ উঠে। চাওঁতে চাওঁতে এক বৃহৎ বট বৃক্ষৰ ৰূপ পৰিগ্ৰহণ কৰে। কিন্তু সকলো ছোৱালীৰ বা ডেকাৰ মন পোৱাতো জানো সহজ। কেতিয়াবা প্ৰেম এক পক্ষীয় হৈ ৰয়। মনৰ গোপন কোণত জাগি উঠা প্ৰেম প্ৰকাশৰ উপযুক্ত বাট বিচাৰি নেপায় হৃদয়তে মৰহি যায়। যাৰ বাবে বিহুগীত আৰু অই

---

৪০। সংবাদদাত্ৰী ঃ গগৈ, জয়ন্তী, বান্তৌগাওঁ।

নিঃতমক কেতিয়াবা বিৰাগৰ সুৰ ধ্বনিত হয় বুলিও কব পাৰি। কাৰণ যেতিয়া চহা-কোনো ডেকা-গাভৰুৰ মনত দুখ বিষাদৰ ছাঁই আৱৰি ধৰে। মিছা মৰম, স্নেহ দেখি কোমলীয়া অন্তৰত প্ৰেমৰ প্ৰতি বিৰাগ ভাৱ জাগে। মনৰ ভিতৰত এইবোৰ গোট মৰি শোকে খুন্দা মাৰি ধৰে আৰু তাকেই প্ৰকাশ কৰি মনৰ দুঃখবোৰ পাতলোৱাৰ চেষ্টা কৰি ইবোৰ গীত গোৱা হয়।

**বিহুগীত ঃ**

(১) *তোমালৈ যিমানটি মৰম ঐ চেনেহী*
*আনলৈ সিমানটি নাই*
*আশা কৰাই কৰাই নিৰাশা কৰিলি*
*তোৰেমান এজনী নাই।*

**অই নিঃতম ঃ**

*নম্মী আইপী মৌংকাম্পী*
*আম্মেম্ আইপী মৌংকৃমাং*
*আইপী মৌঃদাগ্ আঁম্গেঃলা*
*আৰ আগম্ লুতমাং*

**ভাৱাৰ্থ ঃ**

তোমাক ভালপোৱাৰ দৰে আনকাকো ভালপোৱা নাছিলো কিন্তু তুমি মোক ভাল পাওঁ বুলি কৈ, এদিনো সচাঁ কথা নকলা।

**বিহুগীত ঃ**

(২) *হাতেচাই হৰিলা গঢ়লো আঙঠি*
*খাজিলো চপৰা যোগে*
*পুৰাই গধুলি নেদেখো চেনেহী*
*চোৰে মন ভঙালে কোনে?*

**অই নিঃতম ঃ**

*চৃঃচাচ্ ছুঃজন্ চুলাঃচিন নওৰী মৌংকিন বিতমাং*
*অকল্ অইন দুংকাংকুন নম্মী কাঃবক্ তকুমাং।*

**ভাৱাৰ্থঃ**

লৰালিৰ সমনীয়া হয়ো মন বুজি নাপালি

ক'তনো আছাগৈ, তোমাৰ ছাঁটোকো নেদেখা হ'লো

**বিহুগীতঃ**

(৩) *অহাৰ আশাতে শালি নেআছিলো*

*কঠীয়া নথলো সঁচ;*

*তোমাৰে আশাতে আনতো নেচালো*

*হ'লো গুৰি কটা গছ*

**অই নিঃতমঃ**

*আম্ৰ আঃমীম্ মীঃতিন*

*চুল আম্দাং আৰৃগ্ ইতমাং*

*নক্কী আয়াং মীঃতিনচুল*

*অইনেক আয়াং বিতমাং*

**ভাৱাৰ্থঃ**

আহু ধানৰ আশাত শালি ধান নুৰুলো

তোমাৰ আশাত আনকো নাচালো।

**বিহুগীতঃ**

(৪) *খাই খাই পেটকে নভৰে*

*চিৰাখাই নোগুচে ভোক*

*এদিন ভালে কৰি চাবলৈ নেপালো*

*তোৰে কোমলীয়া মুখ*

**অই নিঃতমঃ**

*আচ্চীম অদ্ক্ চৃঃদাগ্ গম্*

*অপিন কীনঃদ আঙুদাগ্*

*আম্‌মেম্ আদ্‌দৃগ্ কাঃদাগ্‌গম্*

*অই নম্ কাঃলৃঃদ আঙুদাগ।*

**ভাৱাৰ্থ ঃ**

পানী যিমান খালেও ভাতৰ ভোক নুগুছে

আনক যিমান চালেও তোমাক নেদেখিলে হেঁপাহ নপলায়।

**বিহুগীত ঃ**

(৫) *নৈ কাষৰীয়া মাটি তাকৰীয়া*

*বেঙেনা ঢপলা পাত;*

*আদদাঙী ছোৱালী নানিবা ককাইটি*

*কথা বুজীবলৈ টান।*

**অই নিঃতম ঃ**

*আবুঃ ৰুঃয়িক আবৃগ্*

*দীম্ দপাঃ য়ীপী মৌঃচুমাং*

*আগম্ তাদ্‌মাঃন কঃনৌঃদীম্*

*লুয়িৰ লাঃপী মৌঃচুমাং*

**ভাৱাৰ্থ ঃ**

নৈ কাষৰ খেতি, খাব পোৱাৰ আশা নকৰো

কথা নশুনা ছোৱালীজনীক বুজাই শুনাৰ আশা নকৰো।

**বিহুগীত ঃ**

(৬) *আহু গঙাজলে নিলে ঐ চেনেহী*

*শালি গঙাজলে নিলে;*

*জাকৰ মাজৰে তোমাক বাছি ললো*

*দিহিং পাৰে ভৰি দিলে*

**অই নিঃতম ঃ**

*ৰ্দু মলৃগ্ মলৃগ্লা*

*আম্ৰ আঃমীম্ ইতাগায়*

*আজন আৰোম্ আৰঃদক্*

*নম্মী কাইপী মীঃ তাগায়।*

**ভাৱাৰ্থ ঃ**

অপতৃণ গুচাই গুচাই আহু ধানৰ খেতি কৰিছিলো

তোমাৰ লগৰীয়াৰ মাজৰ পৰা তোমাক বাচি লৈছিলো

**বিহুগীত ঃ**

(৭)

বোকাতে ঘূৰিলে বোকাৰে গৰৈ মাছ

শুইনত ঘূৰিলে বগ;

মনৰে কথাটি মনতে ঘূৰিলে

ক'বলৈ নেপালো ল'গ।

**অই নিঃতম ঃ**

*পীদং অকী ইগেঃলা আঁচাৰ্ পীদান্ য়ীঃপাক্কাং*

*ঙক্কী আচিন মীঃনাম্চী আচিনৃঃব দুঃপাক্কাং*

**ভাৱাৰ্থ ঃ**

বৰষুণ দিয়া যেন কৰি মেঘবোৰ বতাহত কেনিবা উৰি গ'ল

তোমাৰ মন পাব নোৱাৰি মনৰ কথাবোৰ মনতে থাকি গ'ল।[৪১]

গোটেই বিশ্ব জগত খনেই বিস্ময়ৰ আলয়। জগত সৃষ্টিৰ পৰা আৰম্ভ কৰি বিশ্বৰ বিভিন্ন জীৱজগত, পৃথিৱী আপাৰ্থিব বস্তু অৱস্থা সকলো আচৰিতজনক। জীৱনৰ সৃষ্টি কেনেকৈ হ'ল নৈ কিয় বয়, বতাহ কিয় বলে, সূৰ্য্য কিয় উদয় হয়, অস্ত যায়? মৃত্যুৰ পিছৰ জনম বুলি কিবা আছে

৪১। সংবাদদাতা ঃ দলে, ঘনকান্ত, চিলাপথাৰ।

নেকি? যদি আছে কেনেকুৱা? এই চৰাচৰ জগত কেনেকৈ চলে, কাৰ নিৰ্দ্দেশত চলে আৰু শেষত কলৈ গতি কৰে? পুনৰ জনম বুলি কিবা বস্তু আছে নেকি? এনে সীমাহীন প্ৰশ্ন চহা কৰি সকলৰ মনতো উদয় হয় আৰু গীতৰ ৰূপত প্ৰকাশ পায় উঠে।

সেউজীয়া পাহৰৰ পৰা বৈ অহা পিছতো নৈৰ পানী কিয় সেউজীয়া নহয়, জোনবিহীন ৰাতি কিয় অন্ধকাৰ? চকুৰ কিনো ভাষা আছে, সৃষ্টিৰ মিলনত কিয় আজি বুজি পাওঁ মনৰ গোপন কথা।

**অই নিঃতম ঃ**

১। *কাপিল্ পঃল য়ুমীকঃল*
*ৰুৱাদ কামাঃপ্ কীম'দাং*
*কাপিল নক্কী আয়াঃদী*
*লীক লীক কাম্মদাং*

**ভাৱাৰ্থ ঃ**

জোনবিহীন ৰাতি, কিয় আন্ধাৰে ভৰা
কিয় তোমাৰ মৰমে, ঘনে ঘনে কন্দোৱায়?

২। *গেনী আদিঃ গেকাৰপী*
*কাপিল্ আচিদ্ গেতমাঃন*
*ঙৰকী মীঃবম্ চকুম্পী*
*কাপিল্ অইন মীঃত মাঃন*

**ভাৱাৰ্থ ঃ**

সেউজীয়া পাহাৰৰ দৰে, তাৰ পৰা নিগৰি অহা পানীখিনি সেউজীয়া নহ'ল?
মই ভবাৰ দৰে/ভাল পোৱাৰ দৰে, কিয় তুমিও নভাবিলা?

৩। *কাপী ইকাঃন পীদঃদী*
*অঙা চুমাঃপ অতৃকাঃন*
*কাপী ইকাঃন আচিনচী*
*মীঙা চুমাঃপ মীঃতৃকান্।*

**ভাৱাৰ্থঃ**

কিনো হ'ল বৰযুণ জাক, এৰা (কোনো) নাম নোলোৱা হ'ল

কিনো হ'ল মন মোৰ, তোমাক নাপাহৰা হ'ল।

৪। *বাঙকঃ লাঃদাগ্ ঔম্‌লাঙাই*

*পন্‌তান্ আঃনীম বাঃদনেই*

*মিত্‌পান্ লাঃদাগ্ ঔম্‌লাঙাই*

*চিদ্‌দৃগ্ লম্‌না মিত্‌পানদন্*

**ভাৱাৰ্থঃ**

সাঁতুৰিব জানো বুলিয়ে, বৰনৈক সাঁতুৰে জানো

পাহৰিব পাৰি বুলিয়ে, ইমান সোনকালে পাহৰেনে?

৫। *আমিগ্ আমিগ্ বীৰ্‌বৃক্‌চুল্*

*অক' আগম্ লুকানী*

*আচিনাঙী কিদ'পী*

*অক' আয়াং বিকানী।*

**ভাৱাৰ্থঃ**

চকুৰে চকুৰে মিলন হৈ, কিনো কথা ক'লা

বুকুৰে সহিব নোৱাৰাকৈ, কিনো মৰম দিলা।[৪২]

**বিহুগীতঃ**

১। *ধনশিৰি ভেটিব কোনে ঐ চেনেহী*

*সোৱনশিৰি ভেটিব কোনে;*

*ভগা গোলামাটি কুমাৰে গঢ়িব*

*যৌৱন গঢ়ি দিব কোনে?*

---

৪২। উপৰোক্ত সংবাদদাতা

২। *ইমান ধুনীয়াকৈ কোনে স্বৰজিলে*

*কালতকৈ ৰূপহী কৰি;*

*তোমাকে দেখিলে ওলাই চকুপানী*

*দেহা যায় এফালি মৰি।*

৩। সাঁতুৰিব পাৰি বুলি সাগ জানো সাঁতোৰে

পাহৰিব পাৰি বুলি মৰম জানো পাহৰে?[৪৩]

ওপৰত আলোচিত দিশবোৰৰ পৰা দেখা গ'ল যে, অসমীয়া ভাষাত প্ৰচলিত বিহুগীতৰ দৰেই মিচিং অই নিঃতমবোৰৰ মাজত যথেষ্ট সাদৃশ্য আছে। ভাষাগত পাৰ্থক্যৰ বাহিৰে সকলো দিশতে বিহুগীত আৰু এই নিঃতমৰ সাদৃশ্য পোৱা গ'ল। এনে বিশেষৰ পৰা দেখা গ'ল যে দুয়োবিধ লোক গীততে ভাৱৰ গভীৰতা, ভাষাৰ মাধুৰী লগতে আছে বাক চাতুৰ্য্য, উপমাৰ বিচিত্ৰতা। অই নিঃতম আৰু বিহুগীতৰ লয় আৰু মাধুৰ্যৰ আঁৰত আছে চহা কোমল ব্যঞ্জনাময় শব্দ, বাক্ বিকল্প আৰু চাতুৰ্য্য। এনে গীতৰ কাব্য শৰীৰৰ ছন্দোময় ভঙ্গিমাৰ আঁৰে আঁৰে বিচাৰি পোৱা যায় চিত্ৰকল্প, উপমা আৰু ইয়াৰ মাজে মাজে হাস্যৰসৰ চিটিকনিও দেখিবলৈ পোৱা যায়।

প্ৰকৃতিৰ সন্তান হিচাপে প্ৰকৃতিৰ বুকুতে এদিন মানুহে সংগীতৰ সন্ধান পাইছিল। বঁতাহত কঁপি উঠা গছ-পাতখিলাই নাচোনৰ ভংগী, বাঁহে বাঁহে ঘঁহণা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল আৰু এনে বাদ্য যন্ত্ৰৰ অমাতৰ মাতত প্ৰাণ পাই উঠে চহা মন প্ৰাণ, তেতিয়াই স্বভাৱ কবিৰ প্ৰাণত বিহুগীত আৰু অই নিঃতমৰ বীজ অংকুৰিত হয়।

কৃষিকৰ্ম অসমীয়া জনজীৱনৰ চিৰলগৰী হোৱাৰ দৰে, মিচিং জনগোষ্ঠীৰো একেই। খেতিয়েই চহা জীৱনৰ আশা ভৰসা। খেতি ভাল নহলে, বানে মাৰিলে অভাৱ নুগুচে। এনে আৰ্থিক দৈন্যতাৰ প্ৰতিচ্ছবি বছৰৰ কৃষিকৰ্মৰ আভাস বিহুগীত আৰু অই নিঃতমত দেখা পোৱা যায়।

অই নিঃতম আৰু বিহুগীতৰ উৎস প্ৰেম, ঠিক তেনেকৈ দুয়োবিধ গীত প্ৰধানকৈ প্ৰেমৰ গীত, ইয়াৰ বিষয়বস্তু প্ৰেম সম্পৰ্কীয় সকলো ৰসৰ সোৱাদেৰে পৰিপূৰ্ণ। আশা-নিৰাশা, হতাশা, মিলন-বিচ্ছেদ, আশা ভঙ্গ, সুখ-দুখ, হাঁহি-কান্দোন, ঠাট্টা-মস্কৰা, প্ৰশংসা-নিন্দা সকলো ৰস প্ৰকাশ পায়।

৪৩। সংবাদদাত্ৰী ঃ গগৈ, জয়ন্তী, বান্তৗগাওঁ।